www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

দুখীয়া হৈ জন্ম লৈছা তাত একো ভুল নাই। কিন্তু যদি দুখীয়া হৈয়ে মৃত্যুবৰণ কৰা তেন্তে নিশ্চয়কৈ তোমাৰ ভুল। - ধীৰুভাই আম্বানী

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২০৫ | বৃহস্পতিবাৰ | ২ অক্টোবৰ, ২০২৫ চন | ১৬ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 205 | Thursday | 2nd October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

১৪ দিনৰ এছ আই টিৰ জিম্মালৈ প্ৰেৰণ

## শ্যামকানু মহন্ত-সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ; কটকটীয়া নিৰাপত্তাৰ মাজেৰে অনা হয় গুৱাহাটীলৈ



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১ অক্টোবৰ ঃ** ছিংগাপুৰত অসমীয়া সংগীতশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাত মূল অভিযুক্ত হিচাপে চিহ্নিত —নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ অনা হৈছে। অসম চৰকাৰৰ ›› ৬ পৃষ্ঠাত

দোষীসকলে আইনৰ হাতৰ পৰা ৰেহাই নাপাব

## জুবিন গাৰ্গৰ মৃত্যুৰ পিছত এচামে ৰাজনীতি কৰিছে ঃ দিলীপ শইকীয়া



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ অক্টোবৰ ঃ** ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই নলবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীবিশ্বেশ্বৰ দেৱালয়ত মহানৱমী উপলক্ষে মা দুৰ্গাৰ আশীৰ্বাদ গ্ৰহণ কৰি সকলোৰে কুশলময় জীৱন আৰু দুখ-দুৰ্গতিৰ অৱসানৰ কামনা কৰিছে। এই সুযোগত তেওঁ জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত মূল অভিযুক্ত শ্যামকানু ›› ৬ পৃষ্ঠাত

যোৰহাটত জুবিন গাৰ্গৰ ১৩ দিনীয়া আদ্যশ্ৰাদ্ধ, চিতাভস্মত পত্নীৰ অন্তিম শ্ৰদ্ধাঞ্জলি

# বৈকুণ্ঠ ধামলৈ পৰিণত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধস্থলী

■ সৰ্বধৰ্মীয় প্ৰাৰ্থনাৰে আৰম্ভণি; অশ্ৰুসিক্ত নয়নেৰে হাজাৰ হাজাৰ অনুৰাগীয়ে গালে 'মায়াবিনী' ■



সাম্প্ৰতিক

## দুৰ্গা পূজাই আসুৰিক শক্তিবোৰ বিনাশ কৰক

□ ব্ৰজেন দাস

আমি জানো যে দুৰ্গা পূজা বা দুৰ্গোৎসৱ অসুৰ নিধনৰ বাবে কৰা হয়। আমাৰ সমাজত মানুহৰ মাজত উদয় হোৱা হিংসা, দ্বেষ, কাম-ক্ৰোধ, লোভ-মোহ, মদ-মাৎসৰ্য এই ৰিপুসমূহ হৈছে আসুৰিক শক্তিৰ আধাৰ। এইবোৰ আসুৰিক শক্তিৰ পৰাই আমাৰ সমাজত ›› ৬ পৃষ্ঠাত

## মই যোৰহাটৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছোঁ ঃ গৰিমা গাৰ্গ

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ১ অক্টোবৰ ঃ** যোৰহাট ষ্টেডিয়ামত প্ৰয়াত সংগীতশিল্পী জুবিন গাৰ্গৰ ১৩ দিনীয়া মাংগলিক অনুষ্ঠান গৰিমা শইকীয়া গাৰ্গৰ উপস্থিতিত লক্ষাধিক লোকৰ সমাগমত শোকাকুল পৰিৱেশত সম্পন্ন হৈছে। অনুষ্ঠানৰ সামৰণি পৰ্বত জুবিনৰ অমৰ সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত' গীতটো গৰিমাৰ নেতৃত্বত হাজাৰ হাজাৰ অনুৰাগীয়ে একেলগে গাইছিল, য'ত গৰিমা আৱেগিক হৈ উচুপি উচুপি কান্দি ›› ৬ পৃষ্ঠাত

## আৰ এছ এছৰ শতবাৰ্ষিকী; স্মাৰক ডাক টিকট মুকলি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ (আৰ এছ এছ) ১০০ বছৰ পূৰ্তি উপলক্ষে ›› ৩ পৃষ্ঠাত

## ডিব্ৰুগড়ৰ শোকাৱহ পথ দুৰ্ঘটনা; মহিলাসহ তিনিজনৰ থিতাতে মৃত্যু

নিয়ন্ত্ৰণ হেৰুৱাই বিলাসী বাহন সোমাল চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ দ' খাৱৈত



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰাণ, ১ অক্টোবৰ ঃ** বুধবাৰে পুৱা লেপেটকাটাৰ চেঁচা মৈদামৰ সমীপত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত যুৱতী ›› ৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী

কৰ্ণাটকৰ সংগীতলৈয়ো জুবিনে মহান অৱদান আগবঢ়াইছিল ঃ ডিকে শিৱকুমাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ অক্টোবৰ ঃ** প্ৰয়াত সংগীতশিল্পী জুবিন গাৰ্গৰ স্মৃতিত যোৰহাট ষ্টেডিয়ামত আয়োজিত ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি সভাত অংশগ্ৰহণ কৰি কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে ›› ৩ পৃষ্ঠাত

ভুৱা ফটো-খবৰ বিয়পালে ল'ব কঠোৰ ব্যৱস্থা

## সামাজিক মাধ্যমৰ ওপৰত তীক্ষ্ণ দৃষ্টি অসম আৰক্ষীৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ অক্টোবৰ ঃ** অসম আৰক্ষীয়ে সামাজিক মাধ্যমৰ ওপৰত কঠোৰ নজৰ ৰাখিছে। ভুৱা খবৰ আৰু এআই (কৃত্ৰিম বুদ্ধিমত্তা)ৰ জৰিয়তে সৃষ্ট ফটো বা তথ্য সামাজিক মাধ্যমত প্ৰচাৰ কৰাসকলৰ ›› ৬ পৃষ্ঠাত



## মই নিজেও শ্যামকানুৰ অন্যায়ৰ চিকাৰ হৈছিলোঁ ঃ চিত্ৰশিল্পী পান্না বৰ্মন



শ্যামকানু মহন্তৰ বিৰুদ্ধে চিত্ৰশিল্পীৰ গুৰুতৰ অভিযোগ

**ষ্টাফ ৰিপ'টাৰ, মহানগৰ, ১ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত মূল অভিযুক্ত ›› ৬ পৃষ্ঠাত

সাম্প্ৰতিক

## অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ পটভূমি

□ দিলীপ কুমাৰ ৰয়

চতুৰ্দশ-পঞ্চদশ শতিকাৰ বৈষ্ণৱ কবি-সন্তসকলৰ আগৰ কালচোৱা অসমৰ বাবে আছিল ধৰ্মৰ ক্ষেত্ৰত এক অন্ধকাৰ যুগ। ধৰ্মৰ নামত ›› ৬ পৃষ্ঠাত

শ্যামকানু মহন্তৰ বিৰুদ্ধে সাংসদ ৰঞ্জিত দত্তৰ অভিযোগ

## মই মন্ত্ৰী থকাৰ সময়ত শ্যামকানু মহন্তই ফেষ্টিভেলৰ নামত মোৰ বিভাগৰ ওপৰত অহৰহ চাপ প্ৰয়োগ কৰিছিল



তেওঁৰ বাবে ফেষ্টিভেল কেৱল এক ব্যৱসায় আছিল

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক অসম আৰক্ষীৰ চি আই ডি (CID)য়ে গ্ৰেপ্তাৰ কৰাৰ পিছত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ তথা অসমৰ প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত দত্তই শ্যামকানুৰ বিৰুদ্ধে গুৰুতৰ ›› ৬ পৃষ্ঠাত

প্ৰকল্পত কাজিৰঙাৰ ৩৪ কিঃমিঃ দৈৰ্ঘ্যৰ এলিভেটেড ক'ৰিডৰো অন্তৰ্ভুক্ত

## কলিয়াবৰ-নুমলীগড় ৰাষ্ট্ৰীয় ঘাইপথৰ বহলীকৰণৰ বাবে কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন

প্ৰধানমন্ত্ৰী মোডীক কৃতজ্ঞতা জ্ঞাপন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১ অক্টোবৰ ঃ** কেন্দ্ৰীয় কেবিনেটে অসমৰ বাবে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশক চাৰি লেনত উন্নীতকৰণৰ প্ৰকল্পৰ অনুমোদন জনাইছে। ›› ৬ পৃষ্ঠাত



# মেট্ৰিকৰ প্ৰপত্ৰ পূৰণৰ নামত নিৰিখতকৈ অধিক মাচুল সংগ্ৰহ

## হোজাই জিলাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ৰমৰমীয়া ব্যৱসায়ৰ অভিযোগ

**অসম বাৰ্তা, ডবকা, ১ অক্টোবৰ ঃ** মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ নামত দীৰ্ঘদিনৰ পৰা ছাত্ৰ ছাত্ৰীৰ পৰা অধিক ধন সংগ্ৰহ কৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে ৰমৰমীয়া ব্যৱসায় চলোৱাটো দীৰ্ঘদিনীয়া অভিযোগ। অসম ৰাজ্যিক শিক্ষা পৰিষদে (ডিবিচন- i) এক নিৰ্দেশ যোগে ২০২৬ বৰ্ষৰ মেট্ৰিকৰ প্ৰপত্ৰ পূৰণত পৰীক্ষা মাচুল ৮০০ টকা, ব্যৱহাৰিক পৰীক্ষা মাচুল ৫০ টকা, পৰীক্ষা কেন্দ্ৰ মাচুল ৩৫০ টকা নিৰ্ধাৰণ কৰি দি ৪ অক্টোবৰৰ ভিতৰতে সকলো প্ৰক্ৰিয়া সমাপ্ত কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু এইবোৰ নিৰ্দেশক অমান্য কৰি নিৰিখতকৈ অধিক মাচুল সংগ্ৰহ কৰি হোজাই জিলাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় কৰ্তৃপক্ষই ৰমৰমীয়া ব্যৱসায়ৰ চলোৱাৰ ৰাজহুৱা অভিযোগ উঠিছে। বিশেষকৈ জিলাখনৰ হোজাই, ডবকা, নীলবাগান, মোৰাঝাৰ, দেৱস্থান, বৰহাওৰ, চৌধুৰীবজাৰ, চামৰালি অঞ্চলৰ বিদ্যালয় সমূহত এনে কৰ্মকাণ্ড চলিছে। তাৰে মোৰাঝাৰৰ চিতলমাৰী জাতীয় একাডেমীৰ অধ্যক্ষই ভয় ভাবুকিৰে ফিজ সংগ্ৰহৰ অভিযোগ সৰ্বত্ৰে চৰ্চা হৈছে। এয়া মাথোঁন উদাহৰণহে। শেহতীয়া মেট্ৰিকৰ প্ৰ পত্ৰ পূৰণৰ সময়সীমা ২১ অক্টোবৰলৈ বৃদ্ধি পোৱাত ব্যক্তিগত খণ্ডৰ বিদ্যালয় কৰ্তৃপক্ষই অতিৰিক্ত ফিজ সংগ্ৰহ কৰাত ব্যস্ত হৈ পৰিছে। এই পূজাৰ বন্ধৰ সময়ছোৱাতো ছাত্ৰ -ছাত্ৰীৰ ঘৰে ঘৰে গৈ ফিজ সংগ্ৰহ কৰিছে। যেন শিক্ষাক ব্যৱসায়লৈ পৰিণত কৰিছে। অসম ৰাজ্যিক শিক্ষা পৰিষদে নিৰ্ধাৰিত কৰি মাচুলৰ নিৰিখতকৈ ২০০০ পৰা ৩০০০ টকাকৈ অধিক ফিজ সংগ্ৰহ কৰাৰ খবৰ চৰ্চিত হোৱাৰ পিছতে এনে অনিয়ম প্ৰত্যক্ষ কৰি চৰকাৰী নিয়মতকৈ অধিক ফিজ সংগ্ৰহ কৰা সকলক সামাজিক মাধ্যমযোগে সৰ্তক প্ৰদান কৰি দিছে জাতীয় সংগ্ৰামী সেনা অসমৰ হোজাই জিলা সমিতিৰ সাধাৰণ সম্পাদক হুমায়ুন কবিৰে। লগতে তেওঁ অভিভাৱক সমাজক সজাগ হোৱাৰ আহবান জনাইছে। এই সন্দৰ্ভত শীঘ্ৰে হোজাই জিলা আয়ুক্ত আৰু হোজাই জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকক লিখিত অভিযোগ দাখিল কৰিব বুলি জানিব দিয়ে।

## বৃক্ষ ৰোপণেৰে স্মৃতি ৰক্ষাৰ প্ৰয়াস সৃষ্টি যুৱ সংঘৰ

## ভূৰাপাৰাত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ পালন

**অসম বাৰ্তা, মিৰ্জা, ১ অক্টোবৰ ঃ** যোৰহাট ষ্টেডিয়ামত আজি জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ মাংগলিক কাৰ্যসূচীত হাজাৰ-হাজাৰ লোকে হিয়াৰ আমঠু জুবিন গাৰ্গক শেষ শ্ৰদ্ধা নিবেদিবলৈ ওলাই অহা পৰিলক্ষিত হৈছে। তাৰ বিপৰিতে ৰাজ্যৰ ভিন ভিন প্ৰান্তত জুবিন অনুৰাগীয়ে অনুষ্ঠিত কৰিছে বিশেষ বিশেষ কাৰ্যসূচী। একেদৰে জুবিন গাৰ্গৰ শান্তি কামনাৰ্থে আজি দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ভূৰাপাৰাত সৃষ্টি যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত কৰা হ'ল বিশেষ কাৰ্যসূচী। নাম-প্ৰসঙ্গ, বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি প্ৰদান, মাংগলিক কাৰ্যসূচী কৰাৰ লগতে সৃষ্টি যুৱ সংঘই জুবিন গাৰ্গৰ স্মৃতিত ৰোপণ কৰিলে বৃক্ষ। প্ৰতি বছৰে জুবিন গাৰ্গৰ স্মৃতি দিৱস উদযাপন কৰাৰো পৰিকল্পনা হাতত হৈছে সৃষ্টি যুৱ সংঘই।

# নগাঁৱৰ চিলঙনীত মুকলি হ'ল জীৱন জ্যোতি নিচামুক্ত কেন্দ্ৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ১ অক্টোবৰ ঃ** চামগুৰি সমষ্টিৰ যুৱ নেতা ভকতগাঁও গাঁও পঞ্চায়তৰ সভাপতি বাহাৰুল ইছলামে ফিতা কাটি মুকলি কৰিলে নিচা মুক্তি কেন্দ্ৰৰ দ্বাৰ। ড্ৰাগছ এক সামাজিক ব্যাধি। আজিৰ দিনত ড্ৰাগছৰ কবলত ৰাজ্যৰ অধিকাংশ নৱ প্ৰজন্ম। ভয়াবহ এই ব্যাধিৰ পৰা নৱপ্ৰজন্মক উদ্ধাৰ কৰি সুস্থ সৱল জীৱন পুনৰ দান কৰাৰ উদ্দেশ্য আগত ৰাখি আজি নগাঁও জিলাৰ সদৰ ঠাইৰ নাতি দূৰৰ চিলঙনী আমতলাত "জীৱন জ্যোতি নিচা মুক্তি কেন্দ্ৰ" নামৰ এক উন্নত মানদণ্ডৰ নিশামুক্তি আৰু পুনৰ সংস্থাপন কেন্দ্ৰ। ড্ৰাগছ আৰু নিচা আসক্ত সকলক পুনৰ সংস্থাপন দিয়াৰ উদ্দেশ্যে স্থাপন হোৱা এই নিচা মুক্তি আৰু পুনৰ সংস্থাপন কেন্দ্ৰটি ফিতা কাটি দ্বাৰ মুকলি কৰে চামগুৰি সমষ্টিৰ অন্তৰ্গত ভকতগাঁও গাঁও পঞ্চায়তৰ সভাপতি বাহাৰুল ইছলাম আৰু জুৰীয়া প্ৰেছ ক্লাৱৰ সভাপতি তথা আকাশবাণী নগাঁও কেন্দ্ৰৰ সাংবাদিক প্ৰাঞ্জল শইকীয়াই। এই কাৰ্য্যসূচীত সংগ দিয়ে বটদ্ৰৱা সাংবাদিক সংস্থাৰ মোস্তাফা চেলিম আহমেদ আৰু নজৰুল ইছলামেৰ লগতে, বটদ্ৰৱা লাইভ চেনেলৰ স্বত্বাধিকাৰ শ্বাহা আলমৰ উপৰিও স্থানীয় অন্যান্য গণ্য মান্য লোক সকলে। "জীৱন জ্যোতি নিচামুক্তি কেন্দ্ৰ"ৰ সম্পাদক ছোৱেইব আহমেদে সাংবাদিকক জনোৱা মতে পথভ্ৰষ্ট ড্ৰাগছ আসক্ত সকল সুস্থ হৈ পুনৰ এই সমাজৰ অংশৰূপে সমাজ তথা নিজৰ পৰিয়ালৰ মাজত এজন প্ৰকৃত মানুহ হৈ জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ উদ্দেশ্যে আগত ৰাখিয়েই এই পুনৰ সংস্থাপন কেন্দ্ৰটি প্ৰতিষ্ঠা কৰা হৈছে। উল্লেখ্য যে এই কেন্দ্ৰটোত কোনো ৰোগীক ভৰ্তি কৰাব বিচাৰিলে ৯৮৫৯২৯৭৯৭৮ নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনাইছে উদ্যোক্তা সকলে।

# সদৌ অসম চিকিৎসা মহাবিদ্যালয়, চিকিৎসালয় কৰ্মচাৰী সন্থা তৰফৰ পৰা জুবিন গাৰ্গ হত্যাকাণ্ডৰ সুবিচাৰ দাবী

**অসম বাৰ্তা, বৰপেটা সদৰ, ১ অক্টোবৰ ঃ** গণশিল্পী জুবিন গাৰ্গ হত্যাকাণ্ডৰ সুবিচাৰ দাবী। ৰহস্যজনক দুৰ্ঘটনা জনিত কাৰণত অসমৰ হিয়াৰ আমঠু সঙ্গীত শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ ক্ষেত্ৰত চলা ষড়যন্ত্ৰৰ পানী নসৰকা তদন্ত কৰিবলৈ সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাই অসম চৰকাৰক কাতৰ অনুৰোধ জনাইছে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত সভাপতি ইব্ৰাহিম আলি লস্কৰ, কাৰ্যকৰী সভাপতি দিলীপ চাংমা আৰু সাধাৰণ সম্পাদক নৱজিৎ দাসে বৰাক ব্ৰহ্মপুত্ৰ পাহাৰ ভৈয়ামৰ সৰ্বকালৰ জনপ্ৰিয় গণশিল্পী জুবিন গাৰ্গৰ চিংগাপুৰ সাগৰত ঘটা দুৰ্ঘটনা টোক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিহিত কৰিছে। অসমৰ ৰাইজৰ হিয়াৰ স্পন্দন জুবিন গাৰ্গৰ দীৰ্ঘ দিনৰ অনা-অসমীয়া মেনেজাৰ জনৈক তাৰ্চেম মিট্ৰাল, সিদ্ধাৰ্থ শৰ্মাহতে, জুবিন গাৰ্গক পণ্য সামগ্ৰী হিচাপে সংস্কৃতিৰ ব্যৱসায় কৰা কুলাংগাৰ শ্যামকানু মহন্ত সমন্বিতে হত্যাকাণ্ডৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাবে জড়িত সকলক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। জুবিন গাৰ্গক শোষণ কৰি আয় বৰ্হিভূতভাৱে বিশাল সম্পত্তিৰ অধিকাৰী হোৱা জুবিন গাৰ্গৰ বেতন ভোগী কৰ্মচাৰী সিদ্ধাৰ্থ শৰ্মাৰ অবৈধ ধন সম্পত্তি শীঘ্ৰেই বাজেয়াপ্ত কৰি, ষড়যন্ত্ৰ মূলক ভাবে হস্তগত কৰা জুবিন গাৰ্গৰ গীতৰ কপিৰাইট পৰিয়ালৰ হাতত গতাই দি ন্যায় প্ৰদান কৰিবলৈ সংস্থাৰ বিবৃতিটোত চৰকাৰক দাবী জনাইছে। লগতে সংস্থাটোৱে এটি শোক প্ৰস্তাৱলৈ গণশিল্পী জুবিন গাৰ্গৰ পৰিয়ালৰ কাযত থিয় হৈ শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনাও জ্ঞাপন কৰে। অসমৰ ৰাইজৰ কলিজাৰ এফাল সাম্প্ৰতিক কালৰ সৰ্বাধিক জনপ্ৰিয় গণশিল্পী জুবিন গাৰ্গ এক ৰহস্যঘন পৰিস্থিতিত ছিংগাপুৰত দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যুবৰণ কৰা ঘটনাই সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ পৰিয়ালক অতিকৈ মৰ্মাহত কৰিছে। জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ অস্বাভাৱিক ঘটনাৰ সৰ্বোচ্চ পৰ্যায়ৰ তদন্ত কৰি হত্যাকাৰীক দৃষ্টান্ত মূলক শাস্তি প্ৰদানেৰে ন্যায় প্ৰদান কৰিবলৈ সংস্থাই অসম চৰকাৰৰ মাননিয় মুখ্যমন্ত্ৰীৰ প্ৰতি আবেদন জনাইছে। চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাই জুবিন গাৰ্গৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সন্থা গুৱাহাটীৰ সভাপতি ইব্ৰাহিম আলি লস্কৰ, কাৰ্যকৰী সভাপতি দিলীপ চাংমা, সাধাৰণ সম্পাদক নৱজিৎ দাসে।

# নৱনিৰ্বাচিত এমচিএলএসকলৰ সম্বৰ্ধনাত উৎসৱমুখৰ পৰিৱেশ গোসাঁইগাঁৱত

**অসম বাৰ্তা, গোসাঁই গাঁও, ১ অক্টোবৰ ঃ** আজি গোসাঁইগাঁৱত এক ঐতিহাসিক আৰু গৌৰৱোজ্জ্বল দিন ৰূপে উদ্‌যাপন কৰা হয়। যোৱা বিটিচি নিৰ্বাচনত গোসাঁইগাঁও জিলা সমিতিৰ অন্তৰ্গত পাঁচটা সমষ্টিৰ ভিতৰত চাৰিটা সমষ্টিৰ পৰা বিপিএফ দলৰ প্ৰাৰ্থী বিজয়ী হোৱাৰ পাছত, আজি দলটোৰ জিলা সমিতি আৰু পাঁচটা ব্লক কমিটিৰ যৌথ উদ্যোগত বিজয়ী এমচিএলএসকলক এক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত বিজয়ী এমচিএলএসকল হ'ল: ২ নং গুমা সমষ্টিৰ পৰা এন্তাজ আলী, কচুগাঁও সমষ্টিৰ পৰা ৰবিৰাম নাৰ্জাৰী, শৰাইবিল সমষ্টিৰ পৰা মৃত্যুঞ্জয় নাৰ্জাৰী, জমদুৱাৰ সমষ্টিৰ পৰা উইলিয়াম নাৰ্জাৰী। সম্বৰ্ধনা অনুষ্ঠানটোত উপস্থিত আছিল বিপিএফৰ স্থানীয় নেতৃত্ব, জিলা সমিতিৰ সদস্যবৃন্দ, ব্লক কমিটিসকল, দলীয় কৰ্মী, সমৰ্থকসকলৰ লগতে অঞ্চলটোৰ বহু সংখ্যক সাধাৰণ নাগৰিক। অনুষ্ঠানটোত দলৰ শৃংখলাবদ্ধ সংগঠন, সদ্য নিৰ্বাচিত নেতাসকলৰ পৰিশ্ৰম আৰু জনসাধাৰণৰ আশীৰ্বাদক প্ৰধান ৰূপে স্বীকাৰ কৰা হয়। অনুষ্ঠানত এমচিএলএসকলেও নিজৰ বক্তব্যত জনসাধাৰণৰ ওপৰত থকা আস্থা আৰু দায়িত্ববোধ প্ৰকাশ কৰে। তেওঁলোকে আগন্তুক সময়চোৱাত অঞ্চলটোৰ উন্নয়নমূলক কাম-কাজত বিশেষ গুৰুত্ব আৰোপ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আজি গোসাঁইগাঁৱত সাক্ষী হৈ ৰ'ল এটা নতুন যুগৰ সূচনাৰ—য'ত গণতান্ত্ৰিক বিশ্বাস, দলীয় একতা আৰু জনসমৰ্থনে একেলগে গঢ়ি তোলে অঞ্চলটোৰ উন্নয়ন আৰু শান্তিৰ পথ।

## ধনৰ বিনিময়ত জিঅ' টেক কৰাৰ অভিযোগ

# চাৰ্লক পঞ্চায়তত জীৱিকা সখীৰ বাবে চৰকাৰী ঘৰৰ পৰা বঞ্চিত প্ৰকৃত হিতাধিকাৰী

**অসম বাৰ্তা, মোৰাঝাৰ, ১ অক্টোবৰ ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশমৰ্মে এই বাৰ প্ৰথমবাৰৰ বাবে জীৱিকা সখীৰ দ্বাৰা চৰকাৰী ঘৰৰ জিঅ টেক কৰা হৈছে। এই জিঅ টেক সমাপ্তৰ পিছতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধীকাৰীৰ তালিকা সদ্যহতে প্ৰকাশ পাইছে। ইয়াকে লৈ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত চাৰ্লক গাঁও পঞ্চায়তত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য উন্নয়ন খণ্ডটিৰ অধিকাংশ পঞ্চায়তত ব্যাপক অনিয়ম সংগঠিত হোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া। উল্লেখ্য যে চাৰ্লক পঞ্চায়তত জীৱিকা সখী ৰসিদা বেগমে জিঅ টেক কৰিছিল। কিন্তু ৫০০-১০০০ টকা লৈ প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি ধনাঢ্য শ্ৰেণীৰ জিঅ টেক কৰাৰ অভিযোগ উঠিছে। যাৰ ফলত একাংশ দৰিদ্ৰ প্ৰকৃত হিতাধিকাৰীৰ নাম নাই তালিকাত। যাৰ ফল স্বৰূপে ক্ষোভিত হৈ পৰিছে প্ৰকৃত দৰিদ্ৰ হিতাধিকাৰী। এতিয়া প্ৰশ্ন হয় কাৰ চত্ৰ ছায়াত এইবোৰ অনিয়ম সংগঠিত হৈছে। খণ্ড উন্নয়ন বিষয়া নৱজিত বৰ্মনে ইয়াৰ পৰাও কমিচন পাইছে নে? এয়া প্ৰশ্ন উত্থাপন কৰিছে ৰাইজে। সমগ্ৰ ঘটনা সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে চাৰ্লকবাসী ৰাইজে।

# লোক সংগীতক মাজুলীৰ গাঁৱে-ভূঁঞে পৰিচয় কৰাই দিয়াত লোকশিল্পী সুনীল কুমাৰ শইকীয়াৰ অনবদ্য প্ৰয়াস

**অসম বাৰ্তা, উজনী মাজুলী, ১ অক্টোবৰ ঃ** লোক সংগীতক মাজুলীৰ গাঁৱে-ভূঞে পৰিচয় কৰাই দিয়াত আজি প্ৰায় ৪০ বছৰে কাম কৰি অহা সুনীল কুমাৰ শইকীয়া মাজুলীৰ এজন চহা লোক শিল্পী। সাংস্কৃতিক ক্ষেত্ৰৰ এগৰাকী নীৰৱ সাধক সুনীল কুমাৰ শইকীয়াই প্ৰায় ১৯৭৪ চনৰে পৰা আজি পৰ্যন্ত তাবলা, হাৰমনিয়াম, দোতোৰা, দগৰ, বাহী, খোল, ঢোল বাদনৰ শিক্ষা মাজুলীৰ চুকে-কোণে প্ৰদান কৰি আহিছে। ইয়াৰোপৰি মাজুলী জিলাৰ বাহিৰে ভিতৰে বিভিন্ন সাংস্কৃতিক মঞ্চত একোগৰাকী অভিজ্ঞ সাংস্কৃতিক দিশৰ বিচাৰক হিচাপে অংশ লৈ নিজৰ দক্ষতাৰ পৰিচয় প্ৰদান কৰি আহিছে। মাজুলীৰ গৌৰৱ 'ৰাসোৎসৱ'ৰ মঞ্চ সমূহত একক ভাৱে গীত-মাত, বাদ্যযন্ত্ৰ আদি সংগত কৰি শ্ৰোতা দৰ্শকৰ মনজয় কৰিবলৈ সক্ষম হোৱা লোক শিল্পী গৰাকীক তেওঁৰ আশাশুধীয়া সাধনাক উৎসাহিত কৰাত চৰকাৰী পেন্সনৰ সুবিধাৰ ব্যৱস্থা কৰাটো সকলোৰে কাম্য। এটি চহা কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰা সুনীল কুমাৰ শইকীয়া(৬৪) চণ্ডীগড়ৰ পৰা তাবলা বিষয়ত বিশাৰদ উপাধি লাভ কৰাৰ দিনৰে পৰা সত্ৰ ভূমি মাজুলীত ক'লা-সংস্কৃতিৰ ক্ষেত্ৰত বহু যুৱক-যুৱতীৰ মাজত তেওঁৰ প্ৰতিভা বিস্তাৰ ও প্ৰশিক্ষণ প্ৰদান কৰে। ডিব্ৰুগড়ৰৰ অনাতাঁৰ কেন্দ্ৰ, দুৰ দৰ্শনটো শিল্পী গৰাকীয়ে নিজৰ সংস্কৃতিৰ সুবাস সম্পচাৰ হৈ আহিছে। লোক শিল্পীৰ এগৰাকী নীৰৱ সাধক সুনীল কুমাৰ শইকীয়া আজি পৰ্যন্ত ৰাজ্য চৰকাৰৰ শিল্পী পেন্সনৰ পৰা বাদ পৰি আছে। এনে এগৰাকী শিল্পীক তেওঁৰ প্ৰতিভাক স্বীকৃতি দি শীৰ্ঘ্ৰে ৰাজ্যিক শিল্পী পেঞ্চন আগবঢ়াবলৈ মাজুলী জিলাৰ বিভিন্ন দ'ল - সংগঠন তথা সচেতন মহলে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে।

## কামপুৰ থানাত এজাহাৰ দাখিল

# বকুলগুৰি পঞ্চায়তত কৃষিসখী তাজমহল বেগমৰ মইমতালিৰ অভিযোগ

**অসম বাৰ্তা, কামপুৰ, ১ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ EKYCৰ নামত মই মতালিৰ লগতে ব্যাপক অনিয়ম কৰাৰ অভিযোগ উঠিছে হোজাই জিলাৰ যোগীজান উন্নয়ন খণ্ডৰ বকুলগুৰী পঞ্চায়তৰ কৃষিসখী তাজমহল বেগমৰ বিৰুদ্ধে। এই সম্পৰ্কত তাজমহল বেগমৰ কাৰ্যত ক্ষুণ্ণ হৈ এগৰাকী মাহিলাই কামপুৰ থানাত গোচৰ তৰাৰ লগতে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে বকুলগুৰী পঞ্চায়তৰ পদুমনি কলনি জোনাকী গ্ৰাম্য সংগঠনৰ যথেষ্ট সংখ্যক সদস্যাই। ইফালে তাজমহল বেগমে এগৰাকী মহিলাক অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত কৰে। অভিযোগ কৰা মতে ধন দিলেহে তাজমহল বেগমে প্ৰধানমন্ত্ৰী আবাস যোজনা গৃহৰ আবেদন কৰা যোগ্য লোকসকলক EKYC কাম কৰি দিয়ে। তাজমহল বেগমে প্ৰতিটো EKYCৰ বাবদ পাঁচশৰ পৰা হাজাৰ টকা পৰ্যন্ত সংগ্ৰহ কৰাৰ অভিযোগ আনিছে পদুমনি কলনি জোনাকী গ্ৰাম্য সংগঠনে। কৃষি সখী গৰাকীয়ে গোপনে বহু জনৰ মোৰ্বাইল আইডি পাঁচৱৰ্ড দি কাম কৰাৰ বাবে ব্যাপক খেলিমেলি হোৱাৰ আশংকা কৰিছে যাৰ বাবে বহু যোগ্য হিতাধিকাৰী প্ৰধান মন্ত্ৰী আবাস যোজনা গৃহৰ আঁচনি লাভ কৰাৰ পৰা বঞ্চিত হোৱাৰ সন্দেহ প্ৰকাশ কৰে। সেয়ে কৃষি সখী গৰাকীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ দাবী জনাইছে স্থানীয় লোকে।

# তিনিদিনীয়াকৈ পিঠাগুৰি মেৰাগাঁৱৰ নামঘৰত শংকৰদেৱৰ ৫৭৭ তম্ জন্ম মহোৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, বান্দৰদেৱা, ১ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ তম জন্ম মহোৎসৱ ভাগী লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰ আঞ্চলিক কেন্দ্ৰীয় জন্মোৎসৱ উদ্‌যাপন সমিতিয়ে এইবাৰো আঞ্চলিক সমিতিৰ উদ্যোগত অঞ্চলটোৰ ত্ৰিশখন গাঁৱৰ সহযোগত পিঠাগুৰি মেৰাগাঁৱৰ নামঘৰত আজিৰে পৰা তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ আয়োজন কৰিছে। আজি প্ৰথম দিনৰ কাৰ্যসূচীত পুৱা ভাগতে উষা কীৰ্তন, জল আৰোহণ আৰু বৃক্ষ ৰোপণ কৰাৰ উপৰিও প্ৰয়াত অসমৰ হিয়াৰ আমঠু কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি জনোৱা পৰিলক্ষিত হয়। ইয়াৰ পাছতে ৩০খন গাঁৱৰ সহযোগত ধৰ্মধ্বজা উত্তোলন কৰে জন্মোৎসৱ উদযাপন সমিতিৰ সভাপতি ৰাজেন ভূঞাই। পৰৱৰ্তী সময়ত নামঘৰত নাম প্ৰসংগ আৰু ভাগৱত শোভাযাত্ৰা আৰম্ভ কৰে। উক্ত শোভাযাত্ৰাখনি শুভ উদ্বোধন কৰে বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য হাজৰিকাই। বিয়লি ভাগলৈ সাহিত্য প্ৰতিযোগিতাত শংকৰদেৱৰ আধাৰত ঠাইতে লিখা ৰচনা, বক্তৃতা, কবিতা আবৃত্তি আদি প্ৰতিযোগিতা উচ্চ আৰু নিম্ন শাখাত অনুষ্ঠিত হয়। প্ৰতিযোগিতা খনি উদ্বোধন কৰে আইচেনা টাং শইকীয়াই আৰু অধ্যক্ষৰ আসন অলংকৃত কৰে অমি বৰা শইকীয়াই। সন্ধিয়া ৫৭৭গছি বন্তি প্ৰজ্বলন কৰাৰ লগে লগে দিনৰ কাৰ্য্যসূচী সমাপ্তি হয়। নিশাৰ ভাগলৈ পথালিপাহাৰ শিশু শিল্পী সকলৰ দ্বাৰা "ৰাম পৰাজয় সীতাৰ পাতাল গমন" ভাওনা খনি প্ৰদৰ্শন কৰা হয়। তিনিওদিনৰ জন্মোৎসৱ ভাগীৰ সকলো কাৰ্যসূচী সফল ভাৱে উদযাপন কৰাত সকলোৰে সহায় সহযোগিতা কামনা কৰিছে সভাপতি সম্পাদক ক্ৰমে ৰাজেন ভূঞা আৰু উৎপল শইকীয়াই।

# মৰিয়নিৰ এৰাগাঁৱত শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উদযাপন-ভাওনা প্ৰদৰ্শনৰ প্ৰস্তুতি

**অসম বাৰ্তা, নকছাৰি, ১ অক্টোবৰ ঃ** কাব্য, গীত, বাদ্য, নাটক আদি সৃষ্টিৰে অসমীয়া জাতিৰ স্ৰষ্টা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আমাৰ সকলোৰে পৰম গুৰু তেখেতৰ বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানৰ পোহৰেৰে আৰু আদৰ্শৰে আমি নিজকে অসমীয়া হিচাবে চিনাকি দিব পাৰিছো। সৰ্বগুন সম্পন্ন পৰম গুৰুজনাৰ ৫৭৭ সংখ্যক জন্মজয়ন্তী ভাগি মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰিৰ এৰাগাঁওস্থিত অৰুণোদয় পুথিভঁৰালৰ আৰু যুৱক মণ্ডলৰ উদ্যোগত, সদৌ এৰাগাওঁবাসী আৰু চুবুৰীয়া ৰাইজৰ সহযোগত ২৪ আহিন, ২০২৫ (১১ অক্টোবৰ, ২০১৫)শনিবাৰৰ দিনা এদিনীয়া কাৰ্য্যসূচীৰে অৰুণোদয় পুথিভঁৰালৰ প্ৰাঙ্গনত অনুষ্ঠিত কৰিবলৈ লোৱাৰ লগতে নাটকীয় আমোদ প্ৰদানৰ যোগেদি ভক্তৰস প্ৰকাশ কৰি বিভিন্ন শ্ৰেণীৰ দৰ্শক শ্ৰোতাৰ মাজত ঐক্য আৰু সাম্যৰ বাণী প্ৰচাৰ কৰাৰ উদ্দেশ্যেৰে গুৰুজনাৰ অনুপম সৃষ্টি 'ভাওনা'ৰ আৰ্হিৰে স্থানীয় যুৱক সকলৰ দ্বাৰা "গজকেতু উপাখ্যান", "ধৃতৰাষ্ট্ৰৰ দিগ্ বিজয়", "ত্ৰিশিৰা দৈত্যৰ নিধন" নামৰ এভাগি ভাওনা মঞ্চস্থ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি বৰ্তমান প্ৰস্তুতি চলাইছে বুলি সভাপতি মাণিক গগৈ, সম্পাদক দ্বীপেন গগৈয়ে জনায় লগতে সকলোৰে সহযোগিতা কামনা কৰে। পোৱাৰ ভাগত পৰিবেশ নিকাকৰণ, বৃক্ষ ৰোপণ, ধৰ্ম ধ্বজা উত্তোলন, নাম প্ৰসংগ, দুপৰীয়া ধৰ্মালোচনী সভা আৰু সন্ধিয়া-সমূহীয়া বন্তি প্ৰজ্বলন, নাম প্ৰসংগ, গায়ন-বায়ন আৰু ভাওনা প্ৰদৰ্শন (অৰুণোদয় পুথিভঁৰালৰ যুৱক বৃন্দৰ)।

## ভাগৱতীপাৰাত ভয়ংকৰ পথ দুৰ্ঘটনা

# পূজা চাবলৈ গৈ পথ দুৰ্ঘটনাত আহত বৃদ্ধাসহ জী-জোঁৱাই

**অসম বাৰ্তা, মিৰ্জা, ১ অক্টোবৰ ঃ** দক্ষিণ কামৰূপ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ভাগৱতীপাৰাৰ জিঅ পেট্ৰল পাম্পৰ সন্মুখত দুৰ্গাপূজাৰ নৱমীৰ দিনাই এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দুখন চাৰিচকীয়া বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হোৱা ফলত আহত হয় এগৰাকী বৃদ্ধাৰ লগতে বৃদ্ধা গৰাকীৰ জী আৰু জোঁৱাই। প্ৰাপ্ত তথ্য অনুসৰি পলাশবাৰীৰ হেমন্ত কলিতা নামৰ ব্যক্তি গৰাকীয়ে নিজৰ এ এচ ০১ ডি পি ৭৯৬৫ নম্বৰৰ ওমনি বাহনখনত নিজৰ পত্নী, আৰু শাহুৰ লগত ছয়গাঁৱৰ পৰা আহি আছিল নিজৰ গৃহ অভিমুখে। তেনেতে হঠাৎ ভাগৱতীপাৰাৰ পেট্ৰল পাম্পৰ পৰা ওলাই আহে এ এচ ০১ বি জেদ ৪৮৮২ নম্বৰৰ ডাষ্টাৰ বাহনখন। লগে-লগে দুয়োখন বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হয় আৰু চূৰ্ণ বিচূৰ্ণ হৈ পৰে দুয়োখন বাহন। ঘটনাস্থলী উপস্থিত থকা লোকৰ তৎপৰতাত উক্ত ঘটনাত আহত হোৱা বৃদ্ধা গৰাকীৰ লগতে হেমন্ত কলিতা আৰু তেওঁৰ পত্নীক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আনহাতে ডাষ্টাৰ বাহন খনৰ আৰোহী কেইগৰাকীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইফালে ঘটনাস্থলীত উপস্থিত হয় বিজয়নগৰ আৰক্ষী। উল্লেখ্য যে দুৰ্ঘটনাগ্ৰস্ত ডাষ্টাৰ বাহন খনৰ পৰা উদ্ধাৰ হৈছে তিনি কাৰ্টোন বিলাতী সুৰা।

# জুবিন গাৰ্গৰ ৰাজহুৱা

শিৱকুমাৰে তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। এই অনুষ্ঠানত সাংবাদিকৰ সৈতে কথা পাতি তেওঁ জানিব দিছে যে জুবিনৰ শিল্পকৰ্ম কৰ্ণাটিকৰ সংগীত জগততো এক অমূল্য অৱদান। তেওঁৰ কৰ্মৰাজি সংৰক্ষণৰ বাবে কৰ্ণাটক চৰকাৰে ভূমি প্ৰদানসহ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। শিৱকুমাৰে কয়, "মই ৰাহুল গান্ধী আৰু অখিল ভাৰত কংগ্ৰেছ কমিটীৰ প্ৰতিনিধি হিচাপে এই শ্ৰদ্ধাঞ্জলি সভাত অংশগ্ৰহণ কৰিছো। জুবিনৰ মৃত্যুৰ পাছত বিহাৰৰ পাটনাত অনুষ্ঠিত কংগ্ৰেছৰ কাৰ্যকৰী কমিটীৰ বৈঠকত ৰাহুল গান্ধীৰ নেতৃত্বত তেওঁৰ স্মৃতিত শোক প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। জুবিনৰ গীতসমূহে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শ্ৰোতাৰ হৃদয় জিনিছিল। কৰ্ণাটিকৰ সংগীত জগততো তেওঁৰ অৱদান অতুলনীয়। আমি তেওঁৰ পৰিয়ালৰ কাযত এই দুখৰ মুহূৰ্তত সহানুভূতিৰে থিয় দিছো।" তেওঁ আৰু উল্লেখ কৰে যে, তেওঁৰ যোৰহাট ভ্ৰমণৰ খবৰ জানিব পাৰি বেংগালুৰুত বসবাসকাৰী অসমীয়া সম্প্ৰদায়ৰ মাজত তীব্ৰ আগ্ৰহৰ সৃষ্টি হৈছে। এই আগ্ৰহৰ প্ৰতি সন্মান জনাই কৰ্ণাটক চৰকাৰে জুবিনৰ শিল্পকৰ্ম সংৰক্ষণৰ বাবে প্ৰয়োজনীয় ভূমি প্ৰদানৰ সিদ্ধান্ত লৈছে। ডি কে শিৱকুমাৰে অসম আৰু কৰ্ণাটকৰ মাজৰ গভীৰ সম্পৰ্কৰ কথাও উল্লেখ কৰিছে। তেওঁ জানিব দিছে যে বেংগালুৰু আৰু কৰ্ণাটকত প্ৰায় ৫ লাখৰো অধিক উত্তৰ-পূৰ্বাঞ্চলৰ লোক, বিশেষকৈ অসমৰ লোক, কৰ্মৰত। তেওঁলোকৰ নিয়মানুবৰ্তিতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ প্ৰশংসা কৰি শিৱকুমাৰে কয় যে জুবিনৰ পৰিয়াল, আত্মীয় আৰু অনুৰাগীৰ সৈতে এই শোকৰ সময়ত কৰ্ণাটক চৰকাৰ সংহতি প্ৰকাশ কৰিছে। এই শ্ৰদ্ধাঞ্জলি সভাৰ জৰিয়তে জুবিন গাৰ্গৰ সাংগীতিক অৱদান আৰু তেওঁৰ কৰ্মৰাজিৰ স্মৃতি অমৰ কৰাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ স্পষ্ট হৈ পৰিছে।

## উত্তাল প্ৰতিবাদ সাধাৰণ ৰাইজৰ

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত ব্যাপক অনিয়ম

**অসম বাৰ্তা, জুৰীয়া, ১ অক্টোবৰ ঃ** জুৰীয়াৰ মেলাকাধিং মুকুন্দআটি গাঁও পঞ্চায়তত একাংশ ৰাইজৰ প্ৰতিবাদ। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত অনিয়ম সংঘটিত হোৱাৰ অভিযোগত। PMAY-G আৱাস গৃহৰ আইডি বনোৱাক কেন্দ্ৰ কৰি ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। একাংশ জীৱিকা সখি আৰু কৃষি সখিয়ে চৰকাৰী আঁচনি দিব বুলি কৈ বহু লোকৰ পৰা ধন সংগ্ৰহ কৰাৰ অভিযোগ। জীৱিকা সখিৰ গাফিলতিৰ বাবে মেলাকাধিং মুকুন্দআটি গাঁও পঞ্চায়তৰ বহু লোক PMAY ঘৰৰ পৰা বঞ্চিত হৈছে বুলি স্থানীয় ৰাইজৰ অভিযোগ। কিন্তু সেই ধন লোৱাৰ পিছতো এতিয়ালৈকে বহু পৰিয়ালে ঘৰৰ সুবিধা পোৱা নাই। এই ঘটনাই স্থানীয় ৰাইজৰ মাজত সৃষ্টি কৰিছে তীব্ৰ ক্ষোভ। এইক্ষেত্ৰত চৰকাৰ তথা জিলা আয়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাতৰ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।

## মণ্ডপটি চাবলৈ ভক্তৰ সমাগম

# দেৰগাঁৱত ৭০ ফুট উচ্চতাৰ গীটাৰ সদৃশ পূজা মণ্ডপ



**অসম বাৰ্তা, দেৰগাঁও, ১ অক্টোবৰ ঃ** অসমৰ ইতিহাসত কেতিয়াও নোহোৱা এটি শৰৎ। এবুকু বিষাদ বুকুত বান্ধি ৰাজ্যবাসীয়ে পালন কৰিব দুৰ্গা পূজা। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অনুপস্থিতিত ৰাজ্যত অনুষ্ঠিত হোৱা প্ৰথমটো দুৰ্গা পূজাত ম্ৰিয়মাণ হৈ থকা ৰাজ্যখনৰ লগতে দেৰগাঁওবাসীও ম্ৰিয়মাণ হৈ আছে। সেয়েহে অসমীয়াৰ হিয়াৰ আমঠু গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলিৰ চিন হিচাপে প্ৰতি বছৰে দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতি পথাৰত অনুষ্ঠিত কৰি অহা ঐতিহ্যমণ্ডিত দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱ সমিতিয়ে কিছু বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিবছৰে পূৰ্ব প্ৰস্তুতিৰে আয়োজন কৰা এই ঐতিহ্যমণ্ডিত পূজাৰ থলীত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত - কৰি আহিছে। কিন্তু যুগদ্ৰষ্টা এই মহান শিল্পীগৰাকীৰ - প্ৰতি সন্মান জনাই প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱ সমিতিয়ে জুবিন গাৰ্গলৈ শ্ৰদ্ধা জ্ঞাপন দুজ কৰি শিল্পীগৰাকীৰ প্ৰিয় গীটাৰৰ আৰ্হিত আটক ধুনীয়াকৈ ৭০ ফুট উচ্চতাৰে নিৰ্মাণ কৰা হৈছে পূজা মণ্ডপ। সমান্তৰালভাৱে মণ্ডপৰ কাষতে অনুষ্ঠিত কৰা হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। শিল্পীগৰাকীৰ প্ৰিয় গীটাৰ সদৃশ পূজা মণ্ডপটি চাবলৈ যথেষ্ট ভক্তৰ সমাগম ঘটিছে এই পূজাস্থলীত। ইফালে এই পূজাৰ অন্তত বিজয়া দশমীৰ দিনটোত প্ৰতিবছৰৰ দৰেই ৰাৱন বধ কাৰ্যসূচী গ্ৰহণৰ বাবে পঞ্চাছ ফুট উচ্চতাৰ ৰাৱনৰ মূৰ্তি তৈয়াৰ কৰা হৈছে পূজা মণ্ডপৰ কাষত।

# আৰ এছ এছৰ শতবাৰ্ষিকী ....

এক স্মাৰক ডাক টিকট মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংগঠনটোৰ দেশ সেৱা আৰু সমাজ সবলীকৰণৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰিছে। তেওঁ কয়, "আৰ এছ এছৰ স্বেচ্ছাসেৱকসকলে সমাজৰ বিভিন্ন স্তৰত কাম কৰে, কিন্তু তেওঁলোকৰ শাখাৰ মাজত কেতিয়াও কোনো বৈপৰীত্য দেখা নাযায়, কাৰণ তেওঁলোকে সদায় ৰাষ্ট্ৰ প্ৰথমৰ নীতিত বিশ্বাসী।" এই বিশেষ ডাক টিকট মুকলিৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণত উল্লেখ কৰে যে, এই টিকট ১৯৬৩ চনৰ গণৰাজ্য দিৱসৰ পেৰেডত আৰ এছ এছৰ স্বেচ্ছাসেৱকসকলৰ গৌৰৱময় মাৰ্চপাষ্টৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। তেওঁ কয়, "প্ৰতিষ্ঠাৰ পৰা আৰ এছ এছই দেশ নিৰ্মাণৰ লক্ষ্যৰে কাম কৰি আহিছে। বৈচিত্ৰ্যৰ মাজত ঐক্য ভাৰতৰ আত্মা, আৰু এই নীতি ভাঙিলে ভাৰত দুৰ্বল হ'ব। প্ৰত্যাহ্বানৰ মাজতো আৰ এছ এছ অটলভাৱে থিয় দি দেশৰ সেৱাত নিয়োজিত হৈ আছে।" মোদীয়ে আৰু জানিব দিয়ে যে, স্বাধীনতাৰ পিছতো আৰ এছ এছক ৰাষ্ট্ৰীয় মূলসুঁতিত যোগদানৰ পৰা বাধা দিয়াৰ প্ৰয়াস কৰা হৈছিল, কিন্তু সংগঠনটোৱে 'এক ভাৰত, মহান ভাৰত'ৰ আদৰ্শত অটল থাকি সমাজৰ সেৱা অব্যাহত ৰাখিছে। ১৯২৫ চনত নাগপুৰত ড° কেশৱ বলিৰাম হেডগেৱাৰে প্ৰতিষ্ঠা কৰা আৰ এছ এছৰ লক্ষ্য আছিল নাগৰিকৰ মাজত সাংস্কৃতিক সচেতনতা, অনুশাসন আৰু সামাজিক দায়বদ্ধতা জাগ্ৰত কৰা। মোদী নিজেও এই সংগঠনৰ প্ৰচাৰক হিচাপে কাম কৰিছিল আৰু বিজেপিৰ সফল সংগঠক হিচাপে উত্থানৰ পূৰ্বে আৰ এছ এছৰ মতাদৰ্শৰ পৰা প্ৰেৰণা লাভ কৰিছিল। এই শতবাৰ্ষিকীৰ স্মাৰক ডাক টিকটে আৰ এছ এছৰ দেশ গঠনৰ প্ৰতিশ্ৰুতি আৰু ঐক্যৰ বাৰ্তাক স্মৰণ কৰাইছে।

সম্পাদকীয়

## গান্ধীজীৰ সপোন আৰু বৰ্তমানৰ সংকট

মহাত্মা গান্ধীয়ে সপোন দেখিছিল এখন স্বাধীন, স্বয়ম্ভৰ আৰু সত্যাগ্রহী ভাৰতবৰ্ষৰ। তেওঁৰ স্বপ্নৰ ভাৰত আছিল এনে এখন দেশ য'ত 'সর্বোদয়'ৰ আদর্শৰে সকলো শ্ৰেণী-ধৰ্ম-বৰ্ণৰ মানুহে একেলগে বাস কৰিব, য'ত গ্ৰাম্য অৰ্থনীতি হ'ব দেশৰ উন্নয়নৰ মেৰুদণ্ড, য'ত ন্যায় আৰু সমতাই ৰাজত্ব কৰিব আৰু য'ত অহিংসা আৰু সত্য হ'ব মানুহৰ জীৱনৰ মূলমন্ত্ৰ। কিন্তু আজি স্বাধীনতাৰ সাত দশক পাছত, গান্ধীজীৰ সেই সপোন আৰু আমাৰ বৰ্তমানৰ ভাৰতৰ মাজত থকা পাৰ্থক্যই এক গভীৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সংকটৰ ইংগিত দাঙি ধৰে। গান্ধীয়ে যি 'ৰামৰাজ্য'ৰ কথা কল্পনা কৰিছিল, বৰ্তমানৰ ভাৰতবৰ্ষই তাৰ পৰা কিমান দূৰলৈ আঁতৰি গ'ল, সেই কথাই আজিৰ এই সম্পাদকীয়ৰ মূল বিষয়। গান্ধীজীৰ দৰ্শনৰ মূৰত আছিল গাঁওকেন্দ্ৰিক স্বাৱলম্বী অৰ্থনীতি। তেওঁ বিশ্বাস কৰিছিল যে খাদী, গ্ৰামোদ্যোগ আৰু স্থানীয় উৎপাদনেৰে ভৰপূৰ হ'লেহে ভাৰতবৰ্ষই সঁচা স্বাধীনতা লাভ কৰিব। কিন্তু আজিৰ ভাৰতৰ চিত্ৰ তাৰ সম্পূৰ্ণ বিৰুদ্ধ। গাঁৱলীয়া অঞ্চলবোৰ আজিও মৌলিক সুব্যৱস্থাৰ অভাৱত ভুগি আছে, যুৱক-যুৱতীসকল নগৰলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছে, আৰু কৃষি এতিয়াও সংকটৰ সন্মুখীন। গান্ধীজীয়ে 'ভাৰতৰ আত্মা গাঁৱত বাস কৰে' বুলি কৈছিল, কিন্তু আজিৰ ৰাজনীতি আৰু অৰ্থনীতিৰ কেন্দ্ৰবিন্দু হৈ পৰিছে বৃহৎ বৃহৎ চহৰবোৰ। চহৰকেন্দ্ৰিক বিকাশৰ ফলত গাঁও আৰু চহৰৰ মাজৰ ব্যৱধান দিনক দিনে বাঢ়িহে গৈছে। সাধাৰণ মানুহে দেখিছে যে গান্ধীজীৰ আদৰ্শক কেৱল ৰাজনৈতিক ভাৱে স্মৰণ কৰা হৈছে, কিন্তু তেওঁৰ অৰ্থনৈতিক দৰ্শনক যথাযথ গুৰুত্ব দিয়া হোৱা নাই। সেয়েহে সাধাৰণ মানুহৰ মনত প্ৰশ্ন হৈছে — গান্ধীজীৰ গ্ৰামোদ্যোগৰ সপোনক আমি কিয় বাস্তৱত ৰূপ দিব পৰা নাই? কিয় আমাৰ গাঁওবোৰ উন্নয়নৰ সোঁতৰ পৰা বাদ পৰি ৰৈ গ'ল? সামাজিক ক্ষেত্ৰখণ্ডলৈ চালে আমি দেখো যে গান্ধীজীৰ সপোনৰ ভাৰতত সাম্প্ৰদায়িক সম্প্ৰীতি, সৰলতা আৰু নৈতিকতাক গুৰুত্ব দিয়া হৈছিল। কিন্তু আজিৰ ভাৰতত সাম্প্ৰদায়িক বিদ্বেষ, অসহিষ্ণুতা, দুৰ্নীতি আৰু জাঁতিযুক্ত মানসিকতাই ঘৰ সাজি উঠিছে। গান্ধীয়ে যি অহিংসাৰ পথ দেখুৱাই গৈছিল, আজিৰ সমাজত সশস্ত্ৰ হিংসা, ঘৰুৱা হিংসা, ৰাজনৈতিক হিংসাই দেখা দিছে। তেওঁৰ 'আস্তিক্য নীতি' বা নৈতিক ৰাজনীতিৰ ঠাইত আজি ভোটৰ ৰাজনীতি, ক্ষমতাৰ ৰাজনীতি আৰু ধনৰ ৰাজনীতিয়ে গ্ৰাস কৰিছে। সাধাৰণ মানুহে এই পৰিৱৰ্তনসমূহক খুব ওচৰৰ পৰা অনুভৱ কৰিছে। দেখিছে যে ৰাজনীতিবিদসকলে গান্ধীজীৰ ফটো আৱশ্যক মতে ব্যৱহাৰ কৰে, কিন্তু তেওঁৰ আদৰ্শক জীৱনত ধাৰণ কৰা নকৰে। কিয় আমি এতিয়াও ধৰ্ম, বৰ্ণ আৰু অঞ্চলভেদে বিভেদিত? গান্ধীয়ে যি সাম্যৰ সপোন দেখিছিল, সেইয়া কিয় আজিলৈও সপোনৰ বস্তুৰেই ৰৈ গ'ল? গান্ধীয়ে কৈছিল কৃষক ভাৰতৰ মেৰুদণ্ড, কিন্তু কৃষকসকল আজিও ঋণগ্ৰস্ত, বেপাৰ-বাণিজ্যৰ সুযোগৰ পৰা বঞ্চিত। গান্ধীয়ে সমাজত থকা অন্তৰ্নিহিত শক্তিক জগাব খুজিছিল, কিন্তু আজিৰ শাসনব্যৱস্থাই কেন্দ্ৰীভূত নীতিৰে সেই শক্তিক হেঁচা দি ৰাখিছে। সাধাৰণ মানুহে এই কথাবোৰ বুজি পায়, সেয়েহে সিহঁতে গান্ধীজীক এক মহান ব্যক্তি হিচাপে জানে, কিন্তু তেওঁৰ দৰ্শনক বাস্তৱসন্মত বুলি বিশ্বাস কৰিবলৈ টান পায়। মনত প্ৰশ্ন হয় — গান্ধীজীৰ আদৰ্শ আমাৰ বাবে কিয় এতিয়া প্ৰাসংগিক নহয়? আমাৰ ৰাষ্ট্ৰই কিয় গান্ধীপথ এৰি বেলেগ পথত গতি কৰিলে?

অহিংসাৰ পথ আৰু নীতি লৈ জাতিৰ পিতা মহাত্মা গান্ধীয়ে নিৰন্তৰ পৰীক্ষা-নিৰীক্ষা চলাই গৈছিল মানৱ কল্যাণৰ আৰু ন্যায়ৰ ধাৰণা এই ক্ষেত্ৰত তেওঁক প্ৰেৰণা দান কৰিছিল। অহিংসা নীতি লৈ এই পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আছিল মহাত্মা গান্ধীৰ সত্যানুসন্ধান আৰু আত্মানুসন্ধান। তেওঁৰ অহিংসা নীতিৰ শ্ৰমৰ মৰ্যাদাৰ কথাও জড়িত আছে। এই প্ৰসংগত তেওঁ শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমত এই অহিংসা নীতিৰ কৰ্মসূচী অন্তৰ্ভুক্ত কৰাৰো পৰামৰ্শ দিছিল। গান্ধীয়ে শিশুৰ অহিংস-বোধৰ বিকাশৰ প্ৰয়োজনত এই শিক্ষা ব্যৱস্থা চালু কৰাৰ পৰামৰ্শ দিছিল।

# মহাত্মা গান্ধীৰ অহিংসা আৰু সত্যাগ্ৰহ নীতি

নাছিৰ আহমেদ

জাতিৰ পিতা মহাত্মা গান্ধীৰ ৰাজনৈতিক মতাদৰ্শ ( Political ideology of Mahatma Gandhi) কেইবাটাও ধাৰণা, যেনে - অধিবিদ্যামূলক আদৰ্শবাদ আৰু নৈৰ্ব্যক্তিক সত্য, অহিংসা নীতি, সত্যাগ্ৰহ নীতি, ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা, ৰাষ্ট্ৰ সম্পৰ্কে মাৰ্ক্সীয় ধাৰণাৰ পৰা পৃথক ধাৰণা, স্বৰাজ সম্পৰ্কে, আন্তৰ্জাতিকতাবাদ সম্পৰ্কে, নৈৰাজ্যবাদ সম্পৰ্কে, সৰ্বোদয় সম্পৰ্কে, ধৰ্ম আৰু ৰীতিনীতি সম্পৰ্কে ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে যদিও মূলতঃ অহিংসা নীতি আৰু সত্যাগ্ৰহ নীতিৰ ওপৰত তেওঁৰ ৰাজনৈতিক মতাদৰ্শ গঢ়ি উঠিছে বুলি দৃঢ় ভাৱে ক'ব পাৰি।

মহাত্মা গান্ধীৰ অহিংসা নীতি (Gandhi's concept of Non-violence ) সত্যাগ্ৰহ নীতিৰ ( Satyagraha) ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰিম।

মানৱ-সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰাৰ পৰাই জাতিৰ পিতা মহাত্মা গান্ধীয়ে অহিংসা নীতি আৰু ইয়াৰ উদ্দেশ্য সম্পৰ্কে সন্ধান লাভ কৰিছিল। মানৱ ইতিহাসৰ এই অহিংস গতিধাৰা সম্পৰ্কীয় মহাত্মা গান্ধীৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত প্ৰভুত পৰিমাণে প্ৰভাৱ পেলাইছিল হিন্দু ধৰ্মৰ ঐতিহ্য, বৌদ্ধ ধৰ্মৰ অহিংসা নীতি, যীশুৰ প্ৰেম সম্পৰ্কীয় বাণীসমূহ আৰু ইছলাম ধৰ্মৰ শান্তিৰ বাৰ্তা। তেওঁ নিজেই যিহেতু হিন্দু ধৰ্মাৱলম্বীৰ এজন নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ লোক আছিল, তেওঁৰ ওপৰত হিন্দু ধৰ্মৰ বেদ, ভাগৱত, পুৰাণ, গীতা আৰু উপনিষদৰ প্ৰভাৱ বাৰুকৈয়ে দেখিবলৈ পোৱা যায়।

তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁৰ ধৰ্ম বিশ্বাস, সততা, নৈতিকতা আদি মানৱীয় প্ৰমূল্যবোধ তেওঁৰ ওপৰত সদৰ্থক ক্ৰিয়া কৰা পৰিলক্ষিত হৈছে।

অধ্যাপক বিশ্বনাথ প্ৰসাদ বৰ্মাই ( B P Varma) তেওঁৰ ৰচিত "Modern Indian Political Thought) শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে যে, "He ( Gandhi) interpreted history in the terms of the progressive indication of the superiority of Ahimsa." অহিংসা গান্ধীদৰ্শনৰ মূল মন্ত্ৰ। মহাত্মা গান্ধীয়ে গোটেই জীৱন ধৰি এই অহিংসা নীতি অৱলম্বন কৰি ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ প্ৰতি ধাৱিত হৈছিল। তেওঁ কৈছিল, "Non-violence is the first article of my faith. It is also the last article of my creed. "

মহাত্মা গান্ধীৰ ৰাজনৈতিক মতাদৰ্শ হিচাপে অহিংসা অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ-স্বৰূপ, দুৰ্বলতাৰ পৰা দূৰত্ব বজাই ৰাখে। অহিংসা হ'ল, বীৰোচিত আত্মাৰ স্থিৰসংকল্প শক্তিৰ অটল অভিব্যক্তি। অহিংসা হ'ল চূড়ান্ত নৈতিক আৰু আধ্যাত্মিক চেতনাবোধৰ প্ৰতীক।

গান্ধীৰ মতে অহিংসা মাথোঁ এটি নেতিবাচক ধাৰণা নহয়। প্ৰতি হিংস্ৰ আচৰণ বা ক্ষতি সাধন কৰা ধাৰণাই মাথোঁ অহিংসা নীতি নহয়। অহিংসা হ'ল সম্পূৰ্ণ ৰূপে সদৰ্থক ধাৰণা। প্ৰেম, সৎ চিন্তাৰ মাজেৰে অহিংসাৰ অভিব্যক্তি ঘটে।

মহাত্মা গান্ধীৰ মতানুসৰি সত্য আৰু অহিংসা পৰস্পৰ সম্পৰ্কযুক্ত। কাপুৰুষ ব্যক্তি কেতিয়াও অহিংস পথৰ পথিক হ'ব নোৱাৰে। সত্যাশ্ৰয়ী আৰু সাহসী ব্যক্তিয়ে কেৱল অহিংসাৰ সাধনা কৰিবলৈ সক্ষম হয়। সত্যাশ্ৰয়ী আৰু সাহসী ব্যক্তিয়ে বিপদত বিচলিত নহয়, ভয়ক জয় কৰে আৰু অহিংসা নীতি অৱলম্বন কৰি যাৱতীয় প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰাৰ সাহস ৰাখে। নিৰ্ভয় মানুহৰ মন অহিংস হ'ব পাৰে। প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ কথা



কবলৈ গৈ গান্ধীয়ে কৈছিল যে, অহিংস প্ৰতিৰোধৰ শক্তিশালী অস্ত্ৰ। ভীতগ্ৰস্ত হৈ আনুগত্য প্ৰকাশ দুৰ্বলতাৰ নামান্তৰ। বৰঞ্চ তাতকৈ তেওঁ হিংসাত্মক প্ৰতিৰোধক ওপৰত স্থান দিছে।

অহিংসাৰ পথ আৰু নীতি লৈ জাতিৰ পিতা মহাত্মা গান্ধীয়ে নিৰন্তৰ পৰীক্ষা-নিৰীক্ষা চলাই গৈছিল মানৱ কল্যাণৰ আৰু ন্যায়ৰ ধাৰণা এই ক্ষেত্ৰত তেওঁক প্ৰেৰণা দান কৰিছিল। অহিংসা নীতি লৈ এই পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আছিল মহাত্মা গান্ধীৰ সত্যানুসন্ধান আৰু আত্মানুসন্ধান। তেওঁৰ অহিংসা নীতিৰ শ্ৰমৰ মৰ্যাদাৰ কথাও জড়িত আছে। এই প্ৰসংগত তেওঁ শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমত এই অহিংসা নীতিৰ কৰ্মসূচী অন্তৰ্ভুক্ত কৰাৰো পৰামৰ্শ দিছিল। গান্ধীয়ে শিশুৰ অহিংস-বোধৰ বিকাশৰ প্ৰয়োজনত এই শিক্ষা ব্যৱস্থা চালু কৰাৰ পৰামৰ্শ দিছিল।

মহাত্মা গান্ধীয়ে গোটেই জীৱন ধৰি অহিংসা নীতিৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাই এটি প্ৰকৃত সত্যত উপনীত হৈছিল বাস্তৱতে এই পৃথিৱীৰ বৰ্তমান সমাজ-ব্যৱস্থাত অহিংসা নীতি সম্পূৰ্ণ ৰূপে প্ৰয়োগ কৰা অসম্ভৱ ; সেয়ে প্ৰয়োজন সাপেক্ষে কেতিয়াবা কেতিয়াবা হিংসাৰ আশ্ৰয়ো ল'ব লগা হ'ব পাৰে।

মহাত্মা গান্ধীৰ সত্যাগ্ৰহ দৰ্শন পৰ্যালোচনা কৰিলে কেইবাটাও বৈশিষ্ট্য উন্মোচিত হোৱা দেখা যায়।

(ক) সত্যাগ্ৰহ হ'ল এক আত্মিক শক্তি। সকলো ধৰণৰ অন্যায়, অবিচাৰ, অত্যাচাৰ, নিৰ্যাতন, শোষণ, হত্যা, লুট আৰু ধৰ্ষণৰ বিৰুদ্ধে এই আত্মিক শক্তিৰ সক্ৰিয় ভূমিকা লক্ষ্য কৰা দেখা যায়। অৱশ্যে সত্যাগ্ৰহীৰ মনত এই অশুভ শক্তিৰ বিৰুদ্ধে কোনো বিদ্বেষ ভাৱ নাথাকে। কাৰণ, সত্যাগ্ৰহৰ তত্ত্বত প্ৰতিপক্ষৰ ওপৰত বল প্ৰয়োগ কৰাৰ পৰিৱৰ্তে প্ৰেম-ভালপোৱাৰ মাধ্যমেৰে প্ৰতিপক্ষৰ হৃদয় জয় কৰিব বিচৰা হয়।

(খ) সত্যাগ্ৰহ হ'ল ব্যক্তিৰ জন্মগত অধিকাৰৰ দৰে। কিন্তু সত্যাগ্ৰহৰ আদৰ্শ অনুসৰণৰ বাবে ব্যক্তি জীৱনৰ আত্ম-শৃংখলাৰ যেনেকৈ দৰকাৰ, তেনেকৈ থাকিব লাগিব দুখ-যন্ত্ৰণা সহ্য কৰাৰ প্ৰস্তুতি আৰু ক্ষমতা।

(গ) বিভিন্ন ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্ম, দৰ্শন আদি পথত অগ্ৰসৰ হওঁতে সত্যাগ্ৰহ নীতিক পাথেয় হিচাপে গণ্য কৰিব পাৰি। কিন্তু সত্যাগ্ৰহৰ সকলো ধৰণৰ উপায়-পদ্ধতিৰ মূল ভিত্তি হ'ব অহিংসা নীতি। সত্যাগ্ৰহ অনুশীলনৰ মূল উপায়-পদ্ধতিৰ মাজত উল্লেখযোগ্য হ'ল প্ৰতীকী বা আমৰণ অনশন, অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন, ধৰ্ণা, ধৰ্মঘট, বিদেশী দ্ৰব্য-সামগ্ৰী বৰ্জন, চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাৰ্যসূচী বৰ্জন, গণ-সমাবেশ, হৰতাল, গণ-মিছিল, ষ্ট্ৰাইক, চৰকাৰে প্ৰদান কৰা সন্মান বা পদবী, বঁটা-বাহন প্ৰত্যাখ্যান ইত্যাদি। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলনত এইবোৰেই আছিল সত্যাগ্ৰহ নীতিৰ শক্তিশালী ব্ৰহ্মাস্ত্ৰ!

(ঘ) নিষ্ক্ৰিয় প্ৰতিৰোধ সত্যাগ্ৰহৰ সমাৰ্থক নহয়। সত্যাগ্ৰহৰ লগত নিৰ্মল হৃদয়ৰ আবেগ জড়িত হৈ থাকে। আৰু সামাজিক, ৰাজনৈতিক, কলা কৃষ্টি সাহিত্য, সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতেই সত্যাগ্ৰহ আদৰ্শক অনুসৰণ কৰা হয়।

(ঙ) সত্যাগ্ৰহ হ'ল শক্তিমানৰ প্ৰধান অস্ত্ৰ। হীনবলৰ হাতত ই শোভা নাপায়। সত্যাগ্ৰহ আদৰ্শত হিংসাত্মক ধ্যান -ধাৰণা আৰু ভীৰু-কাপুৰুষালিৰ হীনমন্যতাৰ স্থান নাই। গান্ধীয়ে ভীৰুতাক কেতিয়াও কোনোভাৱেই স্বীকাৰ বা সমৰ্থন কৰা নাই ; বৰঞ্চ কাপুৰুষালি বা হিংস্ৰতাৰ ক্ষেত্ৰত তেওঁ নীৰৱে হিংস্ৰতাক মানি লৈছিল। অন্যায়-অবিচাৰৰ নীৰৱ দৰ্শক হৈ থকা আৰু সত্যৰ ওপৰত অসত্যৰ কৰ্তৃত্ব কায়েম হোৱা সত্যাগ্ৰহ নীতিৰ বিৰোধী।

(চ) সত্যাগ্ৰহ সূত্ৰত দ্বিবিধ সুবিধা পোৱা যায়। সত্যাগ্ৰহৰ মাধ্যমত বাদী আৰু বিবাদী, নিপীড়িত আৰু নিপীড়িনকাৰী উভয়েৰে উপকাৰ হয়।

মহাত্মা গান্ধীৰ সত্যাগ্ৰহ তত্ত্বও বিৰোধ আৰু বিতৰ্কৰ উৰ্ধত নহয়। সমালোচকসকলেও সত্যাগ্ৰহ দৰ্শনৰ সীমাবদ্ধতাৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰে। সত্যাগ্ৰহ নীতিৰ বিৰুদ্ধে বিভিন্ন বিৰূপ সমালোচনা আগবঢ়োৱা হয়। ছি এম কেছ (C M Case) প্ৰণীত "Non-violent coercion: A Study in Methods of Social Pressure "গ্ৰন্থত এই বিষয়ে তেওঁ বিস্তৃত ভাৱে প্ৰকাশ কৰি লিখিছে, "Neither of the alternatives appeals to his desires or his judgement, yet he is compelled by the situation to choose between them. "অৰ্থাৎ তেওঁৰ অভিমত অনুসৰি সত্যাগ্ৰহৰ বিভিন্ন উপায়-পদ্ধতি বাস্তৱে বল প্ৰয়োগ হিচাপে প্ৰতিপন্ন হয়।

তথাপি সত্যাগ্ৰহ আদৰ্শৰ আধাৰত যি আত্ম-নিয়ন্ত্ৰণৰ ওপৰত জোৰ দিয়া হয় ; য়েই মানুহৰ সমুন্নত নৈতিক বিকাশ, সত্য আৰু ন্যায়ৰ বাবে আত্মকষ্ট সহ্য কৰাৰ ক্ষমতা আহৰণ, উদ্দেশ্য আৰু লক্ষ্যত উপনীত হোৱাৰ বাবে সুসংহত প্ৰচেষ্টা প্ৰভৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মহাত্মা গান্ধীৰ সত্যাগ্ৰহ দৰ্শন এবিধ অতি মাত্ৰাত আদৰ্শবাদী হোৱা সত্ত্বেও তাত্ত্বিক বিচাৰত ই গ্ৰহণযোগ্য বুলি বিবেচিত হৈছে।

মুঠতে, জাতিৰ পিতা মহাত্মা গান্ধীৰ ৰাজনৈতিক মতাদৰ্শ মূল ভেটি নিৰ্মাণ হোৱাৰ ক্ষেত্ৰত অহিংসা নীতি আৰু সত্যাগ্ৰহ নীতিয়ে প্ৰধান অৰিহণা যোগাইছিল আৰু দেশৰ স্বাধীনতা আন্দোলনত এক শক্তিশালী ৰূপত অৱতীৰ্ণ হৈছিল।

# বুনিয়াদী শিক্ষা আৰু গান্ধীজীৰ চিন্তা

অজিত বৰুৱা

গুজৰাটৰ বৈশ্য বৰ্ণৰ এটি মধ্যবিত্ত বনিয়া পৰিয়ালত জন্মগ্ৰহণ কৰা মোহনদাস কৰমচাঁদ গান্ধী আছিল শৈশৱ কালৰে পৰাই অত্যন্ত লাজকুৰীয়া স্বভাৱৰ। পৰৱৰ্তী সময়ত মহাত্মা হিচাপে পৰিগণিত হোৱা গান্ধীয়ে তেখেতৰ সমনীয়াৰ সৈতে কথা-বতৰা পাতি বৰ এটা ভাল নাপাইছিল। নিসংগতা তেখেতৰ বৰ প্ৰিয় আছিল। এনে স্বভাৱৰ মোহনদাস কিন্তু পঢ়া শুনাতো অত্যন্ত সাধাৰণ বিধৰহে ছাত্ৰ আছিল।

বিদ্যালয়ৰ খেলা-ধূলা আৰু শৰীৰচৰ্চা আদি বিষয়ৰ শ্ৰেণী সমূহতো তেওঁ অংশগ্ৰহণ কৰা নাছিল। গান্ধীয়ে অৱশ্যে স্বীকাৰ কৰি গৈছে যে লাজকুৰীয়া স্বভাৱেই তেখেতক পঢ়াশালিৰ স্বাচ্ছন্দ্যকৰ আৰু জাকৰুৱা আনন্দৰ পৰা বঞ্চিত কৰিছিল। অৱশ্যে তেওঁ তেনেদৰে অনুভৱ কৰিলেও নিজৰ আত্মজীৱনীত এই কথা দৃঢ়তাৰে উল্লেখ কৰি গৈছে যে বিদ্যালয়ৰ এই শ্ৰেণীসমূহৰ পৰা বিৰত থকাৰ অন্যতম কাৰণ আছিল তেখেতৰ পিতৃভক্তি।

এক গুজৰাটী নৈষ্ঠিক পৰিয়ালত ডাঙৰ দীঘল হোৱা হেতুকে সম্ভৱতঃ গান্ধীজীৰ শৰীৰৰ চৰ্চাৰ তাগিদাতকৈ ৰুগীয়া পিতৃৰ শুশ্ৰূষাৰ তাড়না আছিল প্ৰবল। বিদ্যালয়ৰ প্ৰধান শিক্ষক ডোৰাবজী ইদুলজী জিমিৰ কাঢ়া অনুশাসনেও পিতৃৰ প্ৰতি থকা কৰ্তব্যনিষ্ঠাৰ পৰা তেওঁক বাৰণ কৰিব পৰা নাছিল। কৈশোৰ কালৰ শেষৰফালে গান্ধীজীয়ে নিজে সংগদোষৰ বলি হোৱাৰ কথা উল্লেখ কৰিছে। যাৰ ফলত তেওঁ কিছুমান অসামাজিক কামতো লিপ্ত হ'ব লগীয়া হৈছিল। তেনে অসামাজিক কামৰ ভিতৰত আছিল মিছা কথা কোৱা, জুৱা খেলা, চিগাৰেট সেৱন কৰা, ককায়েকৰ হাতৰ সোণৰ খাৰু চোৰকৈ বিক্ৰী কৰি ঋণ পৰিশোধ কৰা ইত্যাদি অনেক কু-অভ্যাসেৰে তেওঁ অপৰাধ প্ৰৱণতাৰ দুৱাৰডলিত ভৰি দিয়াৰ কথা তেওঁ নিজেই উল্লেখ কৰিছে। 'মোৰ সত্য অন্বেষণৰ কাহিনী' শীৰ্ষক তেখেতৰ আত্মজীৱনীখন পঢ়িলে তেখেতৰ ব্যক্তিত্বৰ বহু মাত্ৰিক তথা চমৎকাৰী দিশসমূহে আমাক আকৰ্ষিত কৰে।

১৯৩৮ চনৰ ৱাৰ্ধা সন্মিলনত 'নই তালিম' ৰূপে আত্মপ্ৰকাশ কৰা গান্ধীজীৰ শিক্ষানীতি খনেই পৰৱৰ্তী সময়ত 'বুনিয়াদী শিক্ষা' স্বৰূপে জনাজাত হয়। গান্ধীজীয়ে কৈছিল "শিক্ষাৰ জৰিয়তে মই শিশুৰ সকলো দিশৰ সৰ্বোৎকৃষ্ট বিকাশৰ লগতে তেওঁলোকৰ শৰীৰ, মন আৰু আত্মাৰ বিকাশক বুজোঁ।" গান্ধীজীৰ বুনিয়াদী শিক্ষাত এই সকলোবোৰ কথা সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা যায়।

মহাত্মা গান্ধীৰ যি 'বুনিয়াদী শিক্ষা' তাৰ কেইটামান উল্লেখযোগ্য বিশেষত্ব হৈছে-

১) কৰ্মৰ জৰিয়তে শিক্ষাঃ (learning by doing)

প্ৰাথমিক পৰ্যায়ত পাঠ্যপুথিৰ অস্তিত্ব সম্পূৰ্ণৰূপে নস্যাৎ কৰি গান্ধীজীয়ে কৰ্মৰ জৰিয়তে শিক্ষাদানৰ পোষকতা কৰিছিল। শিশু সকলৰ প্ৰাথমিক শিক্ষা ৭-১৪ বছৰ বয়সলৈ



সম্পূৰ্ণ বিনামূলীয়া আৰু বাধ্যতামূলক কৰি বৃত্তিমুখী শিক্ষা প্ৰদানেৰে জৰিয়তে আত্মনিৰ্ভৰশীল ব্যক্তি হিচাপে গঢ়ি তোলা হৈছে গান্ধীজীৰ শিক্ষাদৰ্শনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। ছাত্ৰ-ছাত্ৰীৰ মন-মগজু আৰু আত্মাৰ বিকাশ সাধন কৰি তোলা আদি কথাবোৰ গান্ধীজীৰ বুনিয়াদী শিক্ষানীতি যে 'প্ৰয়োগবাদী দৰ্শন' (pragmatist philosophy) ৰে প্ৰভাৱিত হৈ আছে তাকে বুজিব পৰা যায়। এই নীতিয়ে শিশু এটিক পৰৱৰ্তী সময়ত সুস্থ অৰ্থনৈতিক বিকাশত সহায় কৰিব।

২) মাতৃভাষাৰ ওপৰত গুৰুত্ব প্ৰদানঃ

গান্ধীজীয়ে কৈছিল- "ভিন্নভাষী মানুহৰ ওপৰত আন এটা ভাষা জোৰ কৰি জাপি দিয়াটো স্বৰাজৰ উদ্দেশ্য নহয়।" সম্ভৱতঃ সেয়েহে তেওঁ প্ৰাথমিক পৰ্যায়ত ইংৰাজী ভাষাৰ শিক্ষাদান কাৰ্যক গুৰুত্বহীন বুলি কৈছিল। গান্ধীজীৰ সমকালীন ভাৰতীয় সমাজখন আছিল বৃটিছৰ সাম্ৰাজ্যবাদী আগ্ৰাসনপিষ্ট এখন সমাজ। উক্ত সময়ছোৱাত তেওঁ গভীৰভাৱে উপলব্ধি কৰিছিল যে অৰ্থনৈতিক আগ্ৰাসনৰ সমান্তৰালকৈ ইংৰাজৰ যি ভাষিক, সাংস্কৃতিক আগ্ৰাসন সি ভাৰতীয় বহুভাষিক, বহুসাংস্কৃতিক, বৰ্ণময়, সমাজখনক অন্ধকাৰ গহ্বৰলৈ ঠেলি দিছিল। সেয়েহে তেওঁ দৃঢ়মত পোষণ কৰি কৈছিল যে একমাত্ৰ মাতৃভাষাৰ জ্ঞান আৰু সেই ভাষাৰ দখলেহে ছাত্ৰ-ছাত্ৰীসকলক আন ভাষাত সমৃদ্ধিশালী কৰি তুলি তাক সহজসাধ্য কৰি তুলিব আৰু দেশপ্ৰেমৰ মনোভাৱ জগাই তুলিবলৈ সক্ষম হ'ব।

৩) নৈতিক আৰু আধ্যাত্মিক শিক্ষাঃ

মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষানীতিৰ আন এক উল্লেখনীয় দিশ হৈছে নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্যৰ শিক্ষাদান কৰা। শিশুসকলক উপাৰ্জনক্ষম কৰি তোলাই শিক্ষাৰ একমাত্ৰ আৰু শেষ লক্ষ্য কেতিয়াও হ'ব নোৱাৰে। স্বাৱলম্বিতাৰ সমান্তৰালকৈ শিশুসকল নৈতিক আৰু আধ্যাত্মিক দিশত শক্তিশালী হ'লেহে সমাজত শান্তি শৃংখলা অটুত থাকিব। এইখিনিতে ভাববাদী দৰ্শনে প্ৰভাৱ পেলোৱা গান্ধীজীৰ বুনিয়াদী শিক্ষানীতিয়ে সত্য আৰু অহিংসাৰ গূঢ়াৰ্থ অনুভৱ কৰিবলৈ শিশু অৱস্থাৰ পৰাই অনুপ্ৰাণিত কৰা উচিত বুলি কয়।

স্খলিত সমাজ ব্যৱস্থাৰ লগতে দক্ষিণ আফ্ৰিকাত সন্মুখীন হোৱা বৰ্ণবৈষম্যৰ তিক্ততাপূৰ্ণ অভিজ্ঞতাই গান্ধীজীক এনে চিন্তা কৰিবলৈ উৎসাহিত কৰিছিল বুলিব পাৰি।

এসময়ৰ অসামাজিক আচৰণপুষ্ট কিশোৰ মোহনদাস কৰমচাঁদ গান্ধীৰ বৰ্ণময় জীৱনচৰ্যা, মহামানৱলৈ উত্তৰণ, চমৎকাৰী শিক্ষাদৰ্শনৰ বিশদ অধ্যয়নৰ আৱশ্যকতা আছে। গান্ধীজীৰ জীৱন দৰ্শন আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাদায়ক তথা শিক্ষাপ্ৰদ বিষয়। অতি শেহতীয়াকৈ দেশত প্ৰয়োগ হোৱা নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (NEP-2020) ত গান্ধীজীৰ বুনিয়াদী শিক্ষানীতিৰ কিছুমান উল্লেখনীয় দিশ প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা গৈছে। যদিহে কাৰ্যতঃ এই সকলোবোৰ হৈ উঠে তেনে হ'লে জাতিৰ পিতা তথা মহামানৱগৰাকীৰ প্ৰতি আমি সকলোৱে প্ৰকৃত শ্ৰদ্ধা প্ৰদৰ্শন কৰা হ'ব বুলি আমি অনুভৱ কৰো।

# বিশ্ব অহিংসা দিৱস আৰু মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰাসংগিকতা

নিবেদিতা হাজৰিকা

২ অক্টোবৰ। সমগ্ৰ বিশ্বই পালন কৰা এটা বিশেষ দিন। ১৮৬৯ চনৰ ২ অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দৰত জন্ম লাভ কৰা আমাৰ শ্ৰদ্ধাৰ 'জাতিৰ পিতা ' হিচাপে পৰিচিত মহামানৱ মহাত্মা গান্ধীৰ জন্মদিন বা জন্ম জয়ন্তী। এই বিশেষ দিনটোত অহিংসাৰ পূজাৰী গান্ধীজীৰ কৰ্মৰাজি স্মৰণ কৰা হয়। ২০০৮ চনৰ পৰা সমগ্ৰ বিশ্বতে 'শান্তিৰ প্ৰতীক' হিচাপে এই দিৱস পালন কৰি অহা হৈছে। ৰাষ্ট্ৰ সংঘই ঘোষণা কৰা এই দিৱসৰ তাৎপৰ্য সাম্প্ৰতিক সময়ত খুবেই প্ৰয়োজন যেন অনুভৱ হয়। কিয়নো তেখেতে দেখুৱাই থৈ যোৱা আদৰ্শই হে আজিৰ বিশ্ব মানৱক প্ৰকৃত পথৰ সন্ধান দিব।

আজি আমি এক বিংশ শতিকাত পদাৰ্পণ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰতো বিশ্ব আজি বহু দূৰ আগুৱাই গৈছে। কিন্তু আমি পাহৰি গৈছো আমাৰ কিছুমান সামাজিক নীতি-আদৰ্শ। যি নীতি-আদৰ্শ সমাজ এখনৰ সুস্থতাৰ বাবে খুবেই প্ৰয়োজনীয়। সমাজ এখন জীয়াই থাকিবলৈ হ'লে এই প্ৰয়োজনীয় আদৰ্শ সমূহৰ প্ৰতি অনীহা বা গুৰুত্বহীন মনোভাৱ প্ৰকাশ কৰাৰ অৰ্থ হৈছে নিজৰ উন্নতিত নিজে বাধা প্ৰদান কৰা। সামাজিক জীৱনধাৰা শক্তিশালী কৰি তুলিবলৈ, মানৱীয় প্ৰমূল্য বোধ জগাই তুলিবলৈ, মানুহৰ বাবে চিন্তা -চৰ্চা কৰিবলৈ তথা মানৱীয় গুণৰাশিৰ বিকাশ সাধন কৰিবলৈ তেখেতে যি আদৰ্শ দেখুৱাই গৈছে আমি সকলোৱে সেইখিনি অনুকৰণ আৰু অনুসৰণ কৰিবলৈ যত্ন কৰা উচিত। স্বৰাজ, অহিংসা, স্বদেশী, সৰ্বোদয় সত্যাগ্ৰহ, স্বচ্ছতাৰ আদৰ্শৰে পৰিচালিত গান্ধীজীৰ জীৱন দৰ্শনে আজিও সমগ্ৰ বিশ্ববাসীক আকৰ্ষিত কৰিছে। স্বদেশ প্ৰেমৰ উজ্জ্বল নিদৰ্শনেৰে গান্ধীজীয়ে সত্যক আশ্ৰয় লৈ যি মাৰ্গ দৰ্শন প্ৰদৰ্শন কৰিলে সেয়া আজিও মানৱ উত্তৰণৰ পাথেয় হৈ আছে।

মহাত্মা গান্ধী এগৰাকী মহাপুৰুষৰ তুল্য ব্যক্তি আছিল। সততা, অহিংসা আৰু মানৱীয়তাৰ নিদৰ্শন দাঙি ধৰা মহাত্মা গান্ধীয়ে অহিংসাৰ পথেৰে সত্যক জয় কৰি ভাতৃত্ববোধৰ ভাৱেৰে সকলোকে আঁকোৱালি ল'ব খুজিছিল। অহিংসাৰ পূজাৰী গান্ধীজীয়ে বিশ্ববাসীক অন্যায়ৰ বিৰুদ্ধে যুঁজাৰ শক্তিশালী উপকৰণ প্ৰদান কৰিছিল। আজিৰ তাৰিখত পৃথিৱীয়ে সন্মুখীন হোৱা বিভিন্ন সংকট আৰু প্ৰত্যাহ্বানৰ সমাধান সূত্ৰও



মহাত্মাগান্ধীৰ চিন্তাত প্ৰতিভাত হয়। তেখেতৰ সপোনৰ ৰামৰাজ্য আছিল নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু দুখৰ বিষয় মহাত্মাগান্ধীৰ সেই সপোনৰ ৰামৰাজ্যখন আজিও প্ৰতিষ্ঠা নহ'ল। তেখেতৰ সেই আদৰ্শ সমূহৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুভৱ কৰা হ'লে আজি সমগ্ৰ বিশ্বৰ গতিয়েই সলনি হৈ গ'ল হেঁতেন। সমাজৰ সকলো স্তৰৰ লোকৰ বাবে চিন্তা কৰা এইজন মহান মনিষীৰ চিন্তাৰ পৰিধি আছিল ব্যাপক। কিন্তু সেই সিমানলৈকে দৃষ্টি প্ৰসাৰিত কৰিব পৰা লোকৰ সংখ্যা নিচেই তাকৰ। গান্ধীজীয়ে নৈতিক, সামাজিক মূল্যবোধৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ আহ্বান জনাইছিল যদিও আমাৰ সমাজত আজিৰ তাৰিখত এই কেইটা দিশৰেই বিশেষ অভাৱ দেখা যায়। অহিংসাৰ ঠাই ল'লে হিংসাই। ভাতৃত্ববোধৰ ঠাইত ভাতৃঘাটি সংঘৰ্ষ প্ৰায়ে ঘটিব ধৰিলে। মানৱীয় প্ৰমূল্যবোধৰ চূড়ান্ত স্খলন ঘটিব ধৰিলে। এনে সময়ত গান্ধীজীৰ বহুমূলীয়া আদৰ্শৰাজীয়ে পথভ্ৰষ্টসকলক নিশ্চয় কৈ সঠিক পথৰ সন্ধান দিবলৈ সক্ষম হ'ল হেঁতেন। গ্ৰামাঞ্চলৰ উন্নতি, চাকৰিমুখীতাৰ বিপৰীতে কৰ্মোদ্যমী মানসিকতা গঢ় দিবলৈ প্ৰয়াস কৰা, সামাজিক শিক্ষাক আগ স্থান দিয়া মহাত্মা গান্ধীৰ আদৰ্শৰাজী আমাৰ বাবে আজিও আদৰণীয় আৰু অনুকৰণীয়। এই দিনটোৱে বিশ্বক অহিংসা বাৰ্তা আৰু সামাজিক ন্যায়ৰ বাবে তেখেতৰ সংগ্ৰামক মনত পেলাই দিয়ে, যাৰ বাবেই এই দিৱসৰ প্ৰাসংগিকতা সদায়ে আছে আৰু আগলৈও থাকিব। ২ অক্টোবৰ গান্ধী জয়ন্তী কেৱল এক দিৱস নহয়। শান্তি, সম্প্ৰীতি আৰু মানৱিক সংযোগৰ গুৰুত্বক প্ৰতিফলিত কৰাৰ উপৰিও গান্ধী জয়ন্তী দিৱসে সাম্প্ৰতিক সময়ত পৰিৱেশৰ সংৰক্ষণ, সম্পদৰ দায়িত্বশীল ব্যৱহাৰ তথা আত্মনিৰ্ভৰশীল ভাৰতৰ প্ৰয়োজনীয়তাৰ কথা তথা বহনক্ষম উন্নয়নৰ দৰে গান্ধীজীৰ দৰ্শনৰ তাৎপৰ্যও সোঁৱৰাই দিয়ে। উল্লেখ্য যে ভাৰতত এই দিনটোৰ পৰাই গ্ৰামাঞ্চল সমূহত সেৱা তথা উন্নয়নৰ বাবেজন পৰিকল্পনা অভিযান আৰম্ভ কৰা হৈছিল। 'পথ শিশু দিৱস', 'বিশ্ব কৃষি দিৱস' তথা 'ৰাষ্ট্ৰীয় ড্ৰাগ আসক্তি বিৰোধী দিৱস' আদিও এই দিনটোতে পালন কৰা হয়। শিক্ষা আৰুজন সজাগতাৰ জৰিয়তে অহিংসাৰ বাৰ্তা প্ৰচাৰ কৰাই এই দিৱস পালনৰ তাৎপৰ্য বা এক উপলক্ষ।

সত্য, শান্তি, বিশ্বাস আৰু সহিষ্ণুতাক সদায়ে আগ স্থান দি অহা মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ ৰাজীৰ প্ৰাসংগিকতা আজিও আছে। গান্ধীজীৰ আদৰ্শ মানৱ জাতি জীয়াই থকালৈকে সদায়ে প্ৰাসংগিক হৈ ৰ'ব। অহিংসাৰ দৰ্শন তথা কৌশলৰ পথ প্ৰদৰ্শক মহামানৱ মহাত্মা গান্ধীৰ জন্ম দিৱস অৰ্থাৎ আন্তৰ্জাতিক অহিংসা দিৱসৰ তাৎপৰ্য আৰু মহত্ব সকলোৱে অনুধাৱক কৰিবলৈ প্ৰয়াস কৰাটো সাম্প্ৰতিক সময়ৰ বাবে খুবেই প্ৰাসংগিক হৈ পৰিছে।

# দেৱালয় আৰু ব্যক্তিগত পৰ্যায়ত দুৰ্গা পূজাৰ প্ৰাচীনতা

অসমৰ ধৰ্মীয় পৰম্পৰাৰ প্ৰধান ধাৰা তিনিটা হ'ল - শাক্ত, শৈৱ আৰু বৈষ্ণৱ। পুৰণি অসমত দেৱালয় সমূহ সাধাৰণতে শিৱ আৰু আদ্যাশক্তি ভগৱতীক লৈয়ে গঢ়ি উঠিছিল। প্ৰাগঐতিহাসিক কালত অসমৰ আদিম জনগোষ্ঠীবোৰৰ উপাস্য দেৱ-দেৱী আছিল শিৱ আৰু শক্তি। অৱশ্যে খ্ৰীষ্টীয় পঞ্চম শতিকাৰ সময়ত অৰ্থাৎ গুপ্তবংশৰ ৰজাসকলৰ দিনৰ পৰা ধৰ্মৰ উপাস্য দেৱতা হিচাপে বৈদিক বিষ্ণুকেই অভেদত্ব আৰোপ কৰি শ্ৰেষ্ঠ দেৱতা হিচাপে স্বীকৃতি দিয়া বুলি ব্ৰাহ্মণ আৰু আৰণ্যক সমূহত অভিব্যক্ত হৈছে।

প্ৰাচীন ভাৰতৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে ঋগ্বেদৰ সময়ত শক্তি বা দেৱীৰ প্ৰাধান্য নাছিল। মাত্ৰ অদিতি আৰু উষা নামৰ দুগৰাকী নাৰীক দেৱমাতৃ বুলি অভিহিত কৰা হৈছে। ডঃ শশীমোহন দাসগুপ্তৰ মতে শক্তি আৰু শৈৱৰ সমন্বয়তহে পৰমতত্ত্ব সাধন হয়। সেই হিচাপে পৰমতত্ত্বৰ প্ৰতীক হ'ল শিৱ আৰু দেৱী সেই পৰমতত্ত্বৰ শক্তি তথা পত্নী। এইমতে শিৱৰ প্ৰাধান্যই বেছি। আন এক দৰ্শন মতে দেৱী হ'ল অদ্বিতীয় মহাশক্তি। তেৱেঁই ব্ৰহ্মাণ্ডৰ সকলো শক্তি, বৈচিত্ৰ্যৰ মূল কাৰক তথা গৰাকী।

শাক্তপন্থী সকলৰ মতে জগৎস্ৰষ্টা পৰমেশ্বৰৰ স্বৰূপ উপলব্ধ হয় মাতৃ শব্দৰ মাধ্যমেৰে। মাতৃয়েহে সকলো দুখ-দুৰ্গতি, অপায়-অমঙ্গল আদি দূৰ কৰিব পাৰে। তেৱেঁই বিভিন্ন দেৱতা আৰু তেওঁলোকৰ মূল চালিকা শক্তি। সেয়ে শক্তিবিহীন শিৱ, ব্ৰহ্মা, বিষ্ণু নিষ্ক্ৰিয়। বিভিন্ন পুৰাণ, কিংবদন্তী আদি বিশ্লেষণ কৰি পণ্ডিতসকলে প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তৰ পিতৃ ভৌম নৰকে পোন প্ৰথমে হিন্দু শাক্ত ধৰ্ম খ্ৰীঃ পূঃ ১৪০০ৰ পৰা ২০০০ ৰ ভিতৰত মিথিলাৰ পৰা অসমলৈ আনিছিল বুলি ধাৰণা কৰে।

আনহাতে শিৱক মূলত প্ৰাক্ আৰ্য তথা অনাৰ্য দেৱতা বুলি বিবেচনা কৰা হয়। কাৰণ আৰ্য সভ্যতাৰ পূৰ্বে মহেঞ্জোদাৰো আৰু সিন্ধু সভ্যতাতো শৈৱতত্ত্বৰ আভাস পোৱা যায়। অধ্যাপক নীলকান্ত শাস্ত্ৰীয়ে কৈছে যে - শৈৱতত্ত্বৰ ইতিহাস যদিও অন্ধকাৰময়, তত্ৰাচ এইটো সুস্পষ্ট যে, শৈৱতত্ত্বৰ উৎপত্তিৰ ইতিহাস আৰ্য বা বৈদিক আৰু প্ৰাগাৰ্য ধৰ্ম আৰু সংস্কৃতিৰ সংমিশ্ৰণ। গুণাভিৰাম বৰুৱাৰ মতে প্ৰাচীন অসম আৰু বৰ্তমানৰ জলপাইগুৰিৰ জল্পেশ্বৰ নৃপতিৰ দিনত অসমত পোন প্ৰথমে শিৱপূজা আৰম্ভ হৈছিল। স্কন্দ পুৰাণতো এই কথাৰ উল্লেখ পোৱা যায়। কালিকা পুৰাণ মতেও পৰশুৰামৰ ভয়ত বহু ক্ষত্ৰিয়ই ম্লেচ্ছ ৰূপে আত্মগোপন কৰি আত্মৰক্ষাৰ্থে 'জল্পীশ শিৱত' শৰণ লৈছিল।

এনেদৰে অসমত শংকৰদেৱৰ আৱিৰ্ভাৱ সময়লৈকে শক্তিপূজাৰ প্ৰভাৱ শক্তিশালী ৰূপত চলি আছিল। তাৰো আগলৈ অৰ্থাৎ নৰকৰ আগমনৰ সময়লৈকে চলি থকা শিৱ আৰাধনা নৰকৰ মৃত্যুৰ পিছত কিছু অৱসান ঘটি বামাচাৰী ৰীতিৰ সৈতে সংমিশ্ৰিত হোৱা দেখা যায়।

মুঠতে শৈৱ, শাক্ত আৰু বৈষ্ণৱ - এই তিনি ধৰ্মীয় পৰম্পৰাত অসমত বিভিন্ন থান, দেৱালয়, পীঠ, সত্ৰ আৰু নামঘৰ আদি গঢ়ি উঠিছে প্ৰগাৰ্য কালৰে পৰা। অসমৰ ঠায়ে ঠায়ে আজি যি দেৱালয় দেখা যায় সেয়া এই তিনি ধৰ্মীয় পৰম্পৰাৰ প্ৰতিফলন। এই তিনি পন্থাৰ উপাসক সকলৰ উপাসনাৰ স্থলী এই দেৱালয় বা মন্দিৰবোৰ। উল্লেখ্য যে উপাসনাৰ প্ৰাথমিক ঠাইবোৰ হেনো থান হিচাপে গঢ়ি উঠিছিল। সংস্কৃত স্থান্ শব্দৰ পৰা অসমীয়া থানৰ উৎপত্তি। পিছলৈ ৰূপান্তৰৰ মাজেদি সেই বোৰ নামঘৰ, মন্দিৰ, দেৱালয় আদিলৈ উত্তৰণ ঘটিল।

অসমৰ অন্যান্য ঠাইৰ লগতে নামনি অসমতো এনে দেৱালয়, থান, মন্দিৰ আদি কেইবা শতিকা আগতে স্থাপন হৈছিল। এনেবোৰ দেৱালয়ত দুৰ্গাপূজাৰ ইতিহাস মন কৰিবলগীয়া।

**১৪ শ শতিকাৰ কুঁজিদেওৰ দেৱালয়ৰ দুৰ্গাপূজা ঃ**

এক সময়ত বজালীৰ উত্তৰ অঞ্চল ভোটৰ অধীন আছিল। ইতিহাসৰ পৰা জানিব পৰা মতে শংকৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীবৰৰ সৈতে অহা শ্ৰীপতি নামৰ লোকজনক কমতাৰ ৰজা দুৰ্লভ নাৰায়ণে (১৩৩০ - ১৩৫০) ভোটৰ উপদ্ৰপৰ পৰা ৰক্ষা পাবৰ কাৰণে মানাহ আৰু কালদিয়া নদীৰ মধ্যৱৰ্তী পূৱখণ্ডত শাসনকৰ্তা পাতিছিল। ১৮৪১ খ্ৰীঃত ইংৰাজ আৰু ভোটৰ মাজত দেৱগিৰিত হোৱা যুদ্ধৰ পিছতহে বজালীৰ উত্তৰ অঞ্চল ভোটৰ শাসনৰ পৰা মুক্ত হয়।

কুঁজিদেওৰ বৰ্তমানৰ বি টি এ ডি ৰ অন্তৰ্গত আৰু সৌ সিদিনালৈকে বজালীৰ অন্তৰ্গত ককলাবাৰী মৌজাৰ আৰু বৰ্তমানৰ চাপাগুৰি মৌজাৰ অন্তৰ্গত এখনি দেৱালয়। ইয়াতে একসময়ত ভোটসকলে পূজা পাতল কৰি দেৱালয়খন স্থাপন কৰিছিল বুলি জনা যায়। কুঁজি নামৰ এগৰাকী অকুমাৰী ছোৱালীয়ে দেৱালয়খন সৰা-মচা আৰু পূজা আদিৰ জা-যোগাৰ আৰম্ভণি কৰিছিল গুণে তাইৰ নামেৰে দেৱালয়খনৰ নামো কুঁজিদেওৰ হয়। ইয়াত কুঁজি মানে অকুমাৰী ছোৱালীজনীৰ নাম আৰু দেওৰ মানে মন্দিৰ শব্দকেই বুজাইছে। পিছত ইংৰাজৰ লগত হাৰি ভোটসকলে যেতিয়া এই ঠাই এৰিব লগা হ'ল তেতিয়া 'চেনা উজীৰ' নামৰ ককলাবাৰী মৌজাৰ মৌজাদাৰজনক ভোটে সেই দেৱালয় আৰু দুৰ্গা মূৰ্তি দান কৰি যায়। চেনা উজীৰে নতুনকৈ তাত পূজা-পাতল আৰম্ভ কৰে। উল্লেখ্য যে এই দেৱালয়ত দুৰ্গাক 'কমলেশ্বৰ্দ্ধ গোসাঁনী' বুলিহে ৰাইজৰ মাজত প্ৰচলিত। ইয়াত আগতে নৰবলি হৈছিল বুলি শুনা যায়। পিছলৈ ম'হ-ছাগলী আদি বলি হয় আৰু বৰ্তমান বলিৰ পৰিবৰ্তে উছৰ্গা কৰা নিয়মহে চলতি আছে। কুঁজিদেওৰ এই দুৰ্গাপূজাখনেই প্ৰাচীন বজালীৰ প্ৰাচীনতম দুৰ্গা পূজা।

**পৰিহৰেশ্বৰ দেৱালয়ত দুৰ্গা পূজা ঃ**

দেৱালয় পৰ্যায়ত আন এখন প্ৰাচীন দুৰ্গা পূজা হ'ল ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজা। বৰৰজা ৰাণী ফুলেশ্বৰীয়ে বজালীৰ ঐতিহাসিক প্ৰসিদ্ধ ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ত যিসময়ত অষ্টভুজা পিতলৰ দুৰ্গা মূৰ্তি কৰিছিল সেইদিন ধৰি আজিও তাতে দুৰ্গা পূজা পালন কৰি অহাৰ ইতিহাস আছে। আৰম্ভণিৰে পৰা ইয়াত অৰ্ধৰাত্ৰিৰ বলি অৰ্থাৎ এক বিশেষ ৰাতিৰ বলি দি পূজা কৰা প্ৰথা এতিয়াও চলি আছে। কিন্তু ইয়াত অন্যান্য ৰাজহুৱা বা বাৰোৱাৰী পূজাৰ দৰে দুৰ্গা দেৱীৰ প্ৰতিমা সাজি পূজা কৰা নহয়। ইয়াত বাঁহেৰে এটি জকা সাজি এটি কলপুলিৰে সৈতে ৰঙা কাপোৰ মেৰিয়াই দুৰ্গাৰ প্ৰতিকৃতি সাজি পূজাভাগ কৰা হয়। এই প্ৰতিকৃতিৰ মাজত ৰাণী

দিলীপ কুমাৰ ৰয়

ফুলেশ্বৰীয়ে দান কৰা পিতলৰ মূৰ্তিটো ৰাখি নৱ পত্ৰিকাৰে অৰ্থাৎ কচু, হালধি, অশোক, ডালিম, বেল, জয়ন্তী, মানকচু, ধান আৰু কলপাত - এই নবিধ পাতেৰে ঘট প্ৰতিষ্ঠা কৰি পূজা কৰা হয়। পূজা শেষ হোৱাৰ পিছত পিতলৰ মূৰ্তিটো পুনৰ দেৱালয়ৰ মূল মন্দিৰত থোৱা নিয়ম। আগতে ইয়াত সাঁচিপাতত লিখা বিশেষ বিধিৰে পূজা কৰিছিল যদিও বৰ্তমান প্ৰচলিত বিধি মতে পূজা কৰা হয়। আগতে দেৱীক স্নান কৰোৱাৰ সময়ত



দেৱদাসীৰ দ্বাৰা নৃত্য-গীত আৰু বাদ্যৰ পয়োভৰ আছিল। পূৰ্বতে দুৰ্গা পূজাৰ মণ্ডপ মন্দিৰৰ পশ্চিমফালে বৰচ'ৰাৰ সন্মুখত কৰা হৈছিল যদিও বৰ্তমান মন্দিৰৰ দক্ষিণফালে নিৰ্মাণ কৰা স্থায়ী দুৰ্গা মন্দিৰত দুৰ্গা পূজা কৰা হয়।

**পৰিয়ালকেন্দ্ৰীক দুৰ্গা পূজা ঃ**

১৮৪৬ চনত আৰম্ভ হোৱা বজালীৰ বামাখাটা গাঁৱৰ ফিঙ্গু চৌধুৰীৰ নিজা উদ্যোগত আৰম্ভ কৰা দুৰ্গা পূজাখন বজালীৰ পৰিয়ালকেন্দ্ৰীক প্ৰথম আৰু সামগ্ৰিকভাৱে তৃতীয় প্ৰাচীন দুৰ্গা পূজা।

১৮০০ খ্ৰীঃৰ মাৰ্চ মাহৰ কোনোবা এটি দিনত কায়স্থপাৰাত জন্ম গ্ৰহণ কৰা ফিঙ্গু চৌধুৰীয়ে ১৮২৪ চনত মানৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ বৰ্তমানৰ ফিঙ্গু চৌধুৰী দুৰ্গা পূজাস্থলীত কোনেও নেদেখাকৈ ঘন জংঘলেৰে আৰু সৰ্প-ব্যাঘ্ৰ আদিৰে ভৰা ঠাইডোখৰত বাস কৰিলে। আহি যেতিয়া ঘৰৰ চাৰিওফালে বিভিন্ন সৰ্পৰ বিচৰণ দেখা পালে তেতিয়া তেওঁ সৰ্প ভয়ৰ পৰিত্ৰাণ বিচাৰি ১৮২৫-২৬ চনত মাৰৈ পূজা কৰিবলৈ আৰম্ভ কৰিলে। এনেদৰে ১৮৪৫ চনলৈ মাৰৈ পূজা কৰি থাকিল। কিন্তু সেই বছৰতে তেওঁৰ ম'হৰ খুটিক লৈ আন কোনো মানুহৰ লগত মোকৰ্দমা চলিল। মোকৰ্দমাৰ ৰেহৰূপ মতে ফিঙ্গু চৌধুৰী নিশ্চিতভাৱেই হাৰিব বুলি তেওঁ নিজে পতিয়ন গ'ল। পিছদিনাখন মোকৰ্দমাৰ ৰায় হোৱাৰ দিন। আগদিনা ৰাতি তেওঁক সপোনত স্বয়ং দুৰ্গা দেৱী আহি দেখা দিলে আৰু যদি তেওঁ মাৰৈ পূজা বাদ দি দুৰ্গা পূজা আৰম্ভ কৰিম বুলি শপত দিয়ে তেতিয়া তেওঁ মোকৰ্দমাত জিকিব। ফিঙ্গু চৌধুৰীয়ে সপোন শেষ হোৱাৰ পিছত উঠি আহি ৰাতিপুৱাই গা-পা ধুই দুৰ্গা দেৱীক আগন্তুক দুৰ্গা পূজাত সকলো বিধি-নিয়ম মানি বলি-বিধানেৰে পূজা কৰিম বুলি শপত খালে। সঁচাকৈ তেওঁ সিদিনা মোকৰ্দমাত জিকিল আৰু তেতিয়াৰে পৰাই অৰ্থাৎ ১৮৪৬ চনৰ পৰা তেওঁ নিজাববীয়াকৈ বলি-বিধান দি দুৰ্গা পূজা আৰম্ভ কৰিলে। ১৮৯০/৯১ চনৰ পৰা ইয়াত বলি-বিধান উঠাই দি কেৱল পূৰ্বৰ দৰে 'ঘটপূজা' আৰু 'মইজু' নিৰ্মাণ কৰি বাকী সকলো নিয়ম ৰক্ষা কৰি পূজা কৰি আহিছে ফিঙ্গু চৌধুৰীৰ বংশধৰসকলে। তাৰ পিছত ফিঙ্গু চৌধুৰীৰ পৰৱৰ্তী পুৰুষ বানহু চৌধুৰীয়ে কোচ বিহাৰলৈ গৈ মৃণ্ময় মূৰ্তিৰ নিৰ্মাণৰ কাৰিকৰী প্ৰশিক্ষণ লৈ আহি নিজে মৃণ্ময় মূৰ্তি সাজি পূজা কৰিছিল। তাৰ পিছত ১৯০৮-০৯ চনৰ পৰা বৰ্তমানলৈ তেওঁৰ বংশধৰসকলে মূৰ্তি সাজে আৰু তাতে পূজাভাগ চলাই আহিছে। বৰ্তমান তেওঁৰ বংশৰ হোমেশ্বৰ চৌধুৰীয়ে মূৰ্তি সজা কাম কৰি আছে। পাঁচদিনীয়া পূজাৰ দশমীৰ বিসৰ্জন কিছু বছৰ আগলৈ কালদিয়া নৈৰ কুঁৱাৰাঘাটত কৰিছিল যদিও বৰ্তমান পহুমাৰা নদীত দেৱী বিসৰ্জন কৰি আহিছে।

**বজালীৰ প্ৰাচীনতম ৰাজহুৱা দুৰ্গাপূজা পাটাছাৰকুছিত ঃ**

১৯০৪ চনৰ পৰা পালন হৈ থকা পাটাছাৰকুছিৰ দুৰ্গা পূজাখন বজালীৰ প্ৰথম ৰাজহুৱা আৰু সামগ্ৰিকভাৱে চতুৰ্থ প্ৰাচীন দুৰ্গা পূজা। পূজাখন আৰম্ভ কৰিছিল পাটাছাৰকুছি থানাৰ সেইসময়ৰ দাৰোগা দীপ নাৰায়ণ ঘোষ ডাঙৰীয়াই এটি বিশেষ পৰিস্থিতিত।

১৯০৩ চনৰ কথা। পাটাছাৰকুছিৰ উত্তৰে বজালীয়া >বজেলীয়া কোঁৱৰে এৰা ঠাই 'কুঁৱাৰা' নামৰ গাঁওখনত মঙ্গলা মহাজন নামৰ এজন ধনে-ধানে প্ৰতিপত্তিশীল ব্যক্তি আছিল। সেইসময়ত শুৱালকুছিৰ এজন পাট-মুগা বিক্ৰী কৰিবলৈ অহা বেপাৰীয়ে বজালীত মানুহবোৰ বেছিভাগেই খেতিয়ক হোৱা হেতুকে মূল্যৱান পাট-মুগাৰ কাপোৰ কিনিব পৰা ধনীলোক নাই বুলি উপলুঙা কৰিছিল। মঙ্গলা মহাজনে কথাষাৰ শুনি বেপাৰীজনৰ পৰা এযোৰ দামী কাপোৰ কিনি তেওঁৰ সন্মুখতেই জুই লগাই পুৰি দি বুজাই দিছিল বজালীত কিমান ধনীলোক আছে বুলি।

তেওঁৰ হেনো বহুতো ম'হৰ বাথানো আছিল। বাৰিষা হ'লে পাহাৰৰ পাদদেশত ম'হবোৰৰ বাথান কৰে আৰু খৰালি নামনিলৈ বাথানবোৰ লৈ আহে। এদিন এটি বিৰাট ম'হৰ পাল ৰেললাইনৰ ওচৰলৈ চৰাবলৈ নিওঁতে ৰেল লাইনত ৰেলে কাটি এটি ম'হৰ মৃত্যু হ'ল। মঙ্গলা মহাজন অশিক্ষিত হ'লেও মামলা-মোকৰ্দমাৰ বিষয়ে যথেষ্ট জ্ঞান আছিল। তেওঁ পাটাছাৰকুছি থানাত আহি এটি গোচৰ ৰুজু কৰিলে। তেতিয়া থানাৰ দাৰোগা ঘোষ ডাঙৰীয়াৰ মধ্যস্থতাত ৰেল কৰ্তৃপক্ষ আৰু মঙ্গলা মহাজনৰ মাজত গোচৰটোৰ আপোচ মীমাংসা হ'ল। মহাজনক ম'হটোৰ চাৰিগুণ মূল্য দিবলৈ ৰেল কৰ্তৃপক্ষ বাধ্য হ'ল। কিন্তু মঙ্গলা মহাজন আছিল জ্ঞানী, উদাৰ আৰু ধৰ্মপৰায়ণ। তেওঁ দাৰোগা মহোদয়ৰ লগত লগ লাগি সেই গোচৰমৰ্মে পোৱা ধন ৰাজহুৱা কামত খৰচ কৰাৰ মন কৰি ঘোষ ডাঙৰীয়াক কথাটো অৱগত কৰালে। ঘোষ ডাঙৰীয়া বঙালী মানুহ হিচাপে শাক্তধৰ্মী আছিল। তেওঁ কথাটোত বৰ সন্তোষ পালে আৰু সেই ধনেৰে পাটাছাৰকুছিত এখন দুৰ্গা পূজা কৰাৰ চিন্তা কৰি ১৯০৪ চনৰ দুৰ্গাপূজাৰ সময়ত দুই-চাৰিজন স্থানীয় ব্যক্তি আৰু মহাজনৰ সৈতে লগলাগি থানা চৌহদতে দুৰ্গা পূজা কৰিলে। চৰকাৰী বিষয়া হিচাপে যেতিয়া তেওঁ বদলি হৈ আন ঠাইলৈ যাব লগা হ'ল তেতিয়া পাটাছাৰকুছিৰ মহেশ্বৰ শৰ্মা ( ঠিকাদাৰ ), ভক্তিৰাম কলিতা ( পণ্ডিত ), সৰ্বেশ্বৰ দেৱচৌধুৰী ( মেম্বৰ ), ভবেন্দ্ৰ নাথ শৰ্মা (কম্পাউণ্ডাৰ) আৰু কাতিৰাম গাঁওবুঢ়াক মাতি আনি দুৰ্গা পূজাৰ দায়িত্ব অৰ্পণ কৰে। তেওঁলোকৰ নেতৃত্বত ১৯৬৫ চনলৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণে থানাৰ সন্মুখৰ ফালে দুৰ্গা পূজা চলি আছিল। ১৯৬৫ চনত কালদিয়াৰ টুপ কাটি ওলোৱা প্ৰায় ২২ বিঘা চৰকাৰী মাটিলৈ ১৯৬৬ চনত দুৰ্গাপূজাখন স্থানান্তৰ কৰা হয়। এতিয়াও 'শিৱ-দুৰ্গা ধাম' নামেৰে খ্যাত উক্ত ঠাইতেই মহা আয়োজনেৰে ইয়াত দুৰ্গাপূজা চলি আহিছে। উল্লেখ্য যে পাটাছাৰকুছিৰ দুৰ্গা পূজাৰ 'বিজয়া দশমী'-ৰ দেৱী বিসৰ্জন এক মনোমোহা দৃশ্য য'ত লক্ষাধিক মানুহৰ সমাগম হয়। পাঠশালা, টিহু আদি অঞ্চলৰ লগতে সমগ্ৰ বজালীৰ লোকে লোকাৰণ্য হৈ পৰে বিজয়া দশমীৰ কালদিয়া নৈত আয়োজন কৰা দেৱী বিসৰ্জনৰ আলোকসজ্জিত দৃশ্য চাবলৈ। তাৰ আগতে দেৱীক লৈ কৰা শোভাযাত্ৰা যেন পুৰীৰ প্ৰভু জগন্নাথক লৈ কৰা ৰথযাত্ৰাহে এনেহেন দেখা যায়।

আজিৰ পৰা ১১৫ বছৰ আগতে মঙ্গলা মহাজন আৰু দীপ নাৰায়ণ ঘোষে দুৰ্গা দেৱীৰ শ্ৰীচৰণত জ্বলোৱা বন্তিগছি আজিও অক্ষয় বন্তি হৈ আছে, থাকক যুগ যুগ ধৰি ইয়াৰ পিছত আৰম্ভ হোৱা পাঠশালা, সৰুপেটা, বাঘমাৰা আদি ঠাইৰ ৰাজহুৱা দুৰ্গাপূজা মহা আড়ম্বৰেৰে চলি আহিছে। এইবোৰে এদিন বজালীৰ ধৰ্মীয় ইতিহাসত নিজৰ নিজৰ স্থান সোণালী আখৰেৰে লিপিবদ্ধ কৰিব নিশ্চয়কৈ।



# সেমেকা শাৰদীয় দুৰ্গাপূজা

ৰশ্মি ৰেখা দুৱৰা

দুৰ্গাপূজা বুলি ক'লে সকলোৰে মনবোৰ আনন্দ উল্লাসেৰে ভৰি পৰে। কোন ঠাইৰ পূজা মণ্ডপ আটাইতকৈ ধুনীয়াকৈ নিৰ্মাণ কৰিছে,সেই ঠাইৰ পূজা মণ্ডপলৈ যাবলৈ সকলো আগ্ৰহী হৈ পৰে। এইবাৰ সকলোৰে মনবোৰ যিহেতু সেমেকা দুৰ্গাপূজাস্থলীৰ পৰিৱেশো সেমেকা। জুবিন দাৰ মৃত্যুৰ খবৰটো এতিয়াও অসমবাসীয়ে সাধাৰণভাৱে মানি ল'ব পৰা নাই। সেই মৃত্যু যে স্বাভাৱিক নহয়, সেয়েহে ন্যায়ৰ পাছত দৌৰিছে।মা দুৰ্গাৰ আশীৰ্বাদত জুবিন দাৰ লগত যড়যন্ত্ৰ কৰা আটাইকেইজন দোষীৰ শাস্তি পোৱাটোৰেই কামনা কৰিছে। প্ৰত্যেক বছৰৰ দৰে এই বাৰো দুৰ্গাপূজা হৈছে। মাথোঁ আনন্দ স্ফূৰ্তিবোৰহে নোহোৱা হৈ পৰিছে। প্ৰতিখন পূজা মণ্ডপতে জুবিন দাক শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। জুবিন দাৰ কৰ্মৰাজীৰ দ্বাৰাই মানৰ সমাজত অমৰ হৈ ৰ'ব। আন বছৰৰ দৰে পূজাস্থলীত জাকজমকতা নাই। পূজা মণ্ডপৰ চাৰিওফালে দোকানেই দোকান। যি বিচাৰে খেলা বস্তুৰ পৰা মিঠাইলৈ সকলো উপলব্ধ। এইবাৰ তেনে পৰিৱেশ খুবেই নগণ্য। পূজাত এইবাৰ গান-বাজনাৰ শব্দ শুনিবলৈয়ো নাই। নিজান পৰিৱেশ। মা দুৰ্গাৰ আশীৰ্বাদ ল'বলৈ অহা ভক্ত সকলৰ এটাই প্ৰাৰ্থনা জুবিন দাই অনতি পলমে ন্যায় পাওক। প্ৰকৃতিয়ো নীৰৱ হৈ পৰিছে। শৰতে সেমেকা মনেৰেই দেৱী দুৰ্গাক আদৰিছে।মানৱৰ দৰেই কঁহুৱা, শেৱালি আদিয়ে মহান ব্যক্তিক হেৰুওৱাৰ বেদনাত মৰ্মাহত হৈছে।

## কঁহুৱা

বলিন বৰদলৈ

মলয়াৰ তালে তালে
বৰ নৈৰ দুয়োটি পাৰে
শুকুলা সাজ পিন্ধি
কঁহুৱাৰ কি যে নাচোন - বাগোন।
নৈৰ পাৰত শৰতৰ স'তে
মিঠা মৰমৰ আলাপ ও
চেনেহৰ চুমাৰে নিবিড় আলিংগন
লাজতে জোনবাইজনীয়ে লুকুৱাই মুখ
শুকুলা মেঘৰ আঁৰত -
কুঁৱলী, নিঁয়ৰে দুবৰিক পিন্ধাই মুকুতাৰ মালা।
নৈৰ বিধৌত জলৰাশিত স্নান কৰি
শুভ বসন পিন্ধি কঁহুৱাই সাজিকাচি
স্বচ্ছ জলধাৰত মুখ চাই,
শৰত আহিলেই শুকুলা শুভ আঁচল উৰুৱাই
বুকুত অজস্ৰ প্ৰেমৰ মৃদংগ বজায়।
উতনুৱা হয় মন, প্ৰাণ, হৃদয়
উলাহত নাচিবাগি কঁহুৱাই
সাজে প্ৰেমৰ কাৰেং
কাৰণ শৰতৰ এতিয়া জোনাকী যৌৱন।

## শাৰদী পুৱা

অমূল্য চেতিয়া

তোমাৰ অনুপস্থিতিত
ৰ'দৰ সুগন্ধত
শাৰদী পুৱা
তোমাৰ অনুপস্থিতিত
দুখৰ মেল
অৰণ্যখনে হাহাকাৰ কৰিছে
দূবৰি পদূলিত
শেৱালিয়ে কান্দে
নিষ্ঠুৰ সাগৰে
কিয় কাঢ়িলে
জীৱনে ভালপোৱা গান...!

## শৰতৰ সুবাস

ৰাইহানা ইছলাম

বিষাদবোৰ কেতিয়াবা
হেঁচা মাৰি ধৰে,
হেঙুলীয়া আবেলিৰ
চিকমিকনি বিচাৰি।
গগণচুম্বি কহুৱাৰ
মূৰে মূৰে
দেৱীৰ আগমনি।
বস্ত্ৰ অলংকাৰেৰে
সু-সজ্জিত কৰি
তোমাক লৈ আনিম আদৰি।
শৰত শৰত লগা
এই উৎসৱত
চৌদিশে আনন্দৰ ৰোল,
সৰগী মৃদুৰ আভাত উটি
শেৱালী কেইপাহৰ
হাঁহিৰ চাদৰ।
শৰতৰ বগা ৰং
চোতালত পৰিছে সুগন্ধিময় প্ৰেমৰ
সন্ধান বিচাৰি।
শাৰদীয় সুৱাস
দুচকুত সানি
ৰৈ আছোঁ আজিও
প্ৰত্যাশা সামৰি,
এয়া কি.....
আজি চোন গোন্ধাইছে
চোতাল মোৰ
শেৱালী শেৱালী।

# নৱদুৰ্গা ঃ শক্তি, ভক্তি আৰু জীৱনৰ উৎসৱ

দুৰ্গা পূজা এটা এনে উৎসৱ, যিয়ে ভাৰতৰ কোণে কোণে আনন্দ আৰু ভক্তিৰ ৰং বিলাই দিয়ে। অসমতো এই পূজাৰ উৎসাহ কম নহয়, যদিও ইয়াক পশ্চিমবংগৰ দৰে বিশাল ৰূপত পালন কৰা নহয়। দুৰ্গা পূজা কেৱল এটা ধৰ্মীয় অনুষ্ঠান নহয়, ই জীৱনৰ উৎসৱ।

প্ৰথম দিনত আমি পূজা কৰোঁ শৈলপুত্ৰীক। শৈল মানে পৰ্বত, আৰু পুত্ৰী মানে জীয়ৰী। তেওঁ পৰ্বতৰাজ হিমালয়ৰ জীয়ৰী পাৰ্বতী। শৈলপুত্ৰী এটা বগা যাঁড়ৰ ওপৰত বহি থাকে, এখন হাতত ত্ৰিশূল আৰু আনখনত পদুম ফুল লৈ। তেওঁৰ কাহিনী পাৰ্বতীৰ জন্মৰ পৰা আৰম্ভ। পূৰ্বজনমত তেওঁ আছিল সতী, শিৱৰ প্ৰথম পত্নী। সতীয়ে নিজৰ পিতৃ দক্ষৰ যজ্ঞত নিজকে বলি দিছিল। পিছত পাৰ্বতীৰূপে জন্ম লৈ তেওঁ শিৱক পতিৰূপে পাবলৈ কঠিন তপস্যা কৰিছিল। শৈলপুত্ৰীৰ পূজাৰ জৰিয়তে আমি জীৱনত দৃঢ়তা আৰু ভক্তিৰ শিক্ষা পাওঁ। তেওঁ আমাক শিকায় যে কঠিন সময়তো ধৈৰ্য আৰু লক্ষ্যৰ প্ৰতি অটল থকাৰ গুৰুত্ব।

দ্বিতীয় দিনৰ দেৱী হৈছে ব্ৰহ্মচাৰিণী। তেওঁৰ নামৰ অৰ্থ হৈছে ব্ৰহ্মাৰ পথত চলা। এই ৰূপত পাৰ্বতীয়ে শিৱক পতিৰূপে পাবলৈ কঠোৰ তপস্যা কৰিছিল। তেওঁ এখন হাতত জপমালা আৰু আনখনত কমণ্ডলু লৈ থাকে। তেওঁৰ তপস্যাৰ কাহিনী আমাক শিকায় যে জীৱনত কিবা এটা পাবলৈ কঠিন পৰিশ্ৰম আৰু আত্মানুশাসনৰ প্ৰয়োজন। ব্ৰহ্মচাৰিণীৰ পূজা কৰিলে আমি ধৈৰ্য, শান্তি আৰু মনৰ জোৰ লাভ কৰোঁ। তেওঁৰ ৰূপে আমাক মনত পেলায় যে সফলতাৰ পথত বাধা আহিব, কিন্তু তাৰ মাজতো নিজৰ লক্ষ্যৰ পৰা বিচলিত নহ'ব লাগে।

তৃতীয় দিনত আমি পূজা কৰোঁ চন্দ্ৰঘণ্টাক। তেওঁৰ কপালত চন্দ্ৰৰ দৰে ঘণ্টা থকাৰ বাবে তেওঁৰ নাম এনেকৈ। তেওঁ বাঘৰ ওপৰত বহি থাকে আৰু দহটা হাতত ত্ৰিশূল, গদা, তৰোৱালৰ দৰে অস্ত্ৰ লৈ থাকে। তেওঁৰ কাহিনী পাৰ্বতীৰ শিৱৰ সৈতে বিবাহৰ পিছৰ। শিৱৰ পৰা পোৱা চন্দ্ৰৰ অলংকাৰে তেওঁক এই ৰূপ দিছিল। চন্দ্ৰঘণ্টাৰ ভয়ংকৰ স্বৰে দানৱৰ হৃদয়ত ভয়ৰ সৃষ্টি কৰে, কিন্তু তেওঁৰ মুখত শান্ত হাঁহি থাকে। তেওঁৰ পূজা কৰিলে আমি সাহস আৰু শান্তি দুয়োটা লাভ কৰোঁ। তেওঁ আমাক শিকায় যে জীৱনত শক্তি আৰু শান্তিৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো জৰুৰী।

চতুৰ্থ দিনৰ দেৱী হৈছে কুষ্মাণ্ডা। তেওঁৰ নামৰ অৰ্থ হৈছে বিশ্বৰ সৃষ্টিকৰ্ত্ৰী। তেওঁ সিংহৰ ওপৰত বহি থাকে আৰু আঠটা হাতত অস্ত্ৰ আৰু অমৃতৰ কলহ লৈ থাকে। কাহিনী অনুসৰি, তেওঁ নিজৰ হাঁহিৰে বিশ্ব সৃষ্টি কৰিছিল আৰু সূৰ্যৰ মাজত বাস কৰি পৃথিৱীত পোহৰ আৰু শক্তি দিয়ে। কুষ্মাণ্ডাৰ পূজাৰ জৰিয়তে আমি স্বাস্থ্য, সমৃদ্ধি

সত্যব্ৰত বৰা

আৰু জীৱনীশক্তি লাভ কৰোঁ। তেওঁ আমাক শিকায় যে আমাৰ ভিতৰতো এটা সৃষ্টিশীল শক্তি আছে, যাৰ জৰিয়তে আমি জীৱনৰ অন্ধকাৰ দূৰ কৰিব পাৰোঁ।

পঞ্চম দিনত আমি পূজা কৰোঁ স্কন্দমাতাক। তেওঁ কাৰ্তিকেয়ৰ মাতৃ। সিংহৰ ওপৰত বহি থকা তেওঁৰ কোলাত থাকে তেওঁৰ পুত্ৰ স্কন্দ। চাৰিটা হাতত তেওঁ পদুম ফুল, ঘণ্টা আৰু পানীৰ কলহ লৈ থাকে। তেওঁৰ কাহিনী মাতৃৰ ভালপোৱা আৰু শক্তিৰ। স্কন্দক তেওঁ পালন-পোষণ কৰি তৰকাসুৰ নামৰ দানৱক বধ কৰিবলৈ সাজু কৰিছিল। স্কন্দমাতাৰ পূজাৰ জৰিয়তে আমি জ্ঞান, শক্তি আৰু মাতৃৰ দৰে যত্ন পাওঁ। তেওঁ আমাক শিকায় যে ভালপোৱা আৰু শৃংখলাৰ মাজত ভাৰসাম্য ৰক্ষা কৰিলে জীৱনত সফলতা লাভ কৰিব পাৰি।

ষষ্ঠ দিনৰ দেৱী হৈছে কাত্যায়নী। তেওঁ ঋষি কত্যায়নৰ প্ৰাৰ্থনাত জন্ম লৈছিল মহিষাসুৰক বধ কৰিবলৈ। সিংহৰ ওপৰত বহি থকা তেওঁৰ হাতত বিভিন্ন অস্ত্ৰ থাকে। মহিষাসুৰে স্বৰ্গ আৰু পৃথিৱীত তাণ্ডৱ চলাই ছিল। তেতিয়া দেৱতাসকলে একত্ৰিত হৈ তেওঁলোকৰ শক্তিৰে কাত্যায়নীৰ সৃষ্টি কৰে, আৰু তেওঁ ন দিনৰ যুদ্ধৰ পিছত মহিষাসুৰক বধ কৰে। তেওঁৰ পূজা কৰিলে আমি সাহস আৰু সংকল্প লাভ কৰোঁ। তেওঁ আমাক শিকায় যে অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ ভিতৰৰ শক্তিৰ প্ৰয়োজন।

সপ্তম দিনত পূজা কৰা হয় কালৰাত্ৰীক। তেওঁৰ ক'লা ৰং আৰু ভয়ংকৰ ৰূপ। গাধৰ ওপৰত বহি তেওঁ তৰোৱাল আৰু লোহাৰ হাঁকোটা লৈ থাকে। তেওঁৰ কাহিনীত তেওঁ শুম্ভ আৰু নিশুম্ভ নামৰ দানৱক বধ কৰিছিল। তেওঁৰ ভয়ংকৰ ৰূপে অজ্ঞানতা আৰু অশুভ শক্তি ধ্বংস কৰে। কালৰাত্ৰীৰ পূজাৰ জৰিয়তে আমি ভয়মুক্ত হওঁ আৰু মনৰ অন্ধকাৰ দূৰ কৰোঁ। তেওঁ আমাক শিকায় যে কেতিয়াবা জীৱনৰ অন্ধকাৰৰ মুখামুখি হ'বলৈ নিজৰ শক্তিক জাগ্ৰত কৰিব লাগে।

অষ্টম দিনৰ দেৱী হৈছে মহাগৌৰী। তেওঁৰ স্ফটিকৰ দৰে শুভ্ৰ ৰূপ। বগা যাঁড়ৰ ওপৰত বহি তেওঁ ত্ৰিশূল আৰু ডম্বৰু লৈ থাকে। তেওঁৰ কাহিনীত পাৰ্বতীৰ তপস্যাৰ পিছত শিৱৰ আশীৰ্বাদত তেওঁৰ গাৰ ৰং শুভ্ৰ হৈছিল। মহাগৌৰীৰ পূজা কৰিলে আমি মনৰ বিশুদ্ধতা আৰু শান্তি লাভ কৰোঁ। তেওঁ আমাক শিকায় যে সঁচা সৌন্দৰ্য হৈছে হৃদয়ৰ পৱিত্ৰতা।

নৱম দিনত আমি পূজা কৰোঁ সিদ্ধিদাত্ৰীক। তেওঁ সকলো সিদ্ধিৰ দাত্ৰী। পদুম ফুলৰ ওপৰত বহি তেওঁ শংখ, চক্ৰ আৰু গদা লৈ থাকে। তেওঁৰ কাহিনীত তেওঁ শিৱক আঠটা সিদ্ধি প্ৰদান কৰিছিল। তেওঁৰ পূজাৰ জৰিয়তে আমি আধ্যাত্মিক জ্ঞান আৰু পূৰ্ণতা লাভ কৰোঁ। তেওঁ আমাক শিকায় যে জীৱনৰ চূড়ান্ত লক্ষ্য হৈছে ঐশ্বৰিক শক্তিৰ সৈতে একত্ৰ হোৱা।

নৱদুৰ্গাৰ এই ন-টা ৰূপে আমাক জীৱনৰ বিভিন্ন দিশ শিকায়। শৈলপুত্ৰীৰ পৰা আৰম্ভ কৰি সিদ্ধিদাত্ৰীলৈকে এই যাত্ৰা এটা আধ্যাত্মিক উত্থানৰ পথ। দুৰ্গা পূজাৰ সময়ত আমি মাৰ মূৰ্তি দেখি ভক্তিৰে মূৰ দোঁৱাওঁ। ধুনুচী নাচ, ঢাকৰ তাল, আৰু ভোগৰ সোৱাদে আমাৰ হৃদয় ভৰাই তুলে। এই পূজাৰ জৰিয়তে আমি কেৱল দেৱীৰ পূজা নকৰোঁ, আমাৰ ভিতৰৰ শক্তি আৰু সম্ভাৱনাকো জাগ্ৰত কৰোঁ। নৱৰাত্ৰিৰ এই ন দিনে আমাক সোঁৱৰাই দিয়ে যে জীৱন এখ যুদ্ধ আৰু আমি নিজৰ ভিতৰৰ শক্তিৰে সকলো বাধা অতিক্ৰম কৰিব পাৰোঁ।

# শাৰদীয় দুৰ্গাপূজা

প্ৰকৃতিক ভালপোৱা সকলো মানুহে শৰতৰ ৰূপ বন্দনা কৰি আহিছে। কাৰণ বাৰিষাৰ আকাশৰপৰা ঘনঘোৰ ক'লীয়া ডাৱৰবোৰ আঁতৰি গৈ আকাশ হৈ পৰে নীলা আৰু নিৰ্মল। বাৰিষাৰ বোকা-পানী শুকাই পৃথিৱী হৈ পৰে সুন্দৰ। সুন্দৰ পৃথিৱীক সজাই তোলে আহিনৰ

বিনীতা শইকীয়া

কোমল ৰ'দালী আৰু শেৱালি, বকুল, পদুম, ভেটফুল আদিয়ে। পুৱাৰ শুভ্ৰ ডাঠ কুঁৱলিৰ আৱৰণ। টোপ টোপ নিয়ৰৰ মুকুতা সৰি মৰহি যোৱা দুবৰি বন পুনৰ সেউজীয়া আৰু সজীৱ হৈ উঠে। প্ৰকৃতিৰ এই বিনন্দীয়া ৰূপত মানুহৰ মন পুলকিত আৰু উৎফুলিত হৈ পৰে। আহিনৰ বোকোচাত উঠি শৰত আহে ধৰাৰ বুকুলৈ নামি। আগমন হয় দেৱ-দেৱীৰ। মানুহৰ মনবোৰো যেন সেউজীয়া হয়। শৰতে হাঁহে আৰু সকলোৰে মিলি মুক্তমনে শাৰদীয় দুৰ্গাপূজা পাতে।

ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন পূজা উৎসৱ পালন কৰা হয় তাৰ ভিতৰত দেৱী মাৰ দুৰ্গাপূজা অন্যতম। এই পূজা শৰৎ কালত অনুষ্ঠিত হয় বাবে ইয়াক শাৰদীয় পূজা বুলিও কোৱা হয়। দেৱী দুৰ্গা প্ৰাণদায়িনী, অন্নদায়িনী। তেওঁৰ মহিমা অপাৰ তেওঁ দেৱীস্বৰূপা, মাতৃত্বৰে মাতৃস্বৰূপা। তেওঁ অনন্ত শক্তিৰে যৌৱনময়ী নাৰী সম্ভাৱনাৰে মূৰ্তিৰূপে বৈদিক যুগৰেপৰা ধ্যান-ধাৰণা পূজা-পাতল কৰি অহা হৈছে। এই পূজাক মাতৃপূজা আৰু অন্যদিশে পৃথিৱী পূজা বুলিও কোৱা হয়। কাৰণ পৃথিৱীক আমি বসুন্ধৰা মাতৃ বুলিও জ্ঞান কৰোঁ।

শাৰদীয় দুৰ্গাপূজাৰ দেৱী দুৰ্গাক শক্তিৰ উপাসনা বুলি ও কোৱা হয়। তেওঁ হিন্দুধৰ্মৰ প্ৰাণদায়িনী, সংহাৰকাৰিণী তথা আমাৰ ৰক্ষাকাৰণী। বিশেষকৈ তেওঁ এই দুই শক্তিৰ মূল উৎস। ইয়াৰ মুল কাৰণ হ'ল শৰতকাল শস্যৰে ভৰা এটা ঋতু। শস্য আমাৰ প্ৰাণ। দেৱীমায়ে সকলো অপায় অমংগল দূৰ কৰি শস্য ৰক্ষা কৰি আমাক জীয়াই থকাৰ সম্বল যোগায়। সেয়ে তেওঁ আমাৰ প্ৰাণদায়িনী। না-নান ৰোগ-ব্যাধি ত্ৰাস-সংকট আৰু আসুৰিক শক্তিক তেওঁ সংহাৰ কৰে বাবে তেওঁক সংহাৰকাৰিণী আৰু আমাক বিপদৰ পৰা ৰক্ষা কৰাৰ বাবে তেওঁক ৰক্ষাকাৰিণী বুলিও কোৱা হয়। তেওঁৰ সোঁফালে থাকে ধন-সম্পদৰ গৰাকী অৰ্থাৎ আমাৰ ভাগ্য লক্ষ্মী লক্ষ্মী দেৱী। বাওঁফালে থাকে শুভ্ৰবসন পৰিধানী বাগদেৱী বীণাপাণি অৰ্থাৎ সকলোৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা-সৰস্বতী। দুৰ্গাদেৱীয়ে এখন ভৰি সিংহৰ ওপৰত থৈ আনখন ভৰিৰে মহিষাসুৰক দমন কৰি বুকুত ত্ৰিশূল বহুৱাই জগতৰ পৰা সকলো আসুৰিক শক্তি আৰু অপায় অমংগল যেন দূৰ কৰি সংহাৰ কৰিছে।

শুক্লা ষষ্ঠীৰ দিনাৰপৰাই দেৱীৰ পূজা-অৰ্চনা আৰম্ভ হয়। সেইদিনা পূজাৰ বেদীত দেৱী মাক পূজাৰীয়ে ভক্তি আৰু মন্ত্ৰ পাঠ কৰি বোধন-কাৰ্য সমাপ্ত কৰে আৰু প্ৰতিমা প্ৰতিষ্ঠা কৰে। সপ্তমী, অষ্টমী আৰু নৱমী তিথিত ও পূজা অৰ্চনা চলি থাকে। মানুহৰ মনত আনন্দৰ সীমা নোহোৱা হয়। পুৱাৰ পৰা ৰাতিলৈ নতুন কাপোৰ পিন্ধি আনন্দ-উল্লাসেৰে দেৱীক দৰ্শন কৰি চাকি-ধূপ জ্বলাই সেৱা জনাই আশীৰ্বাদ লৈ মনৰ আশা পূৰ্ণ হোৱাৰ কামনা কৰে! পূজাৰ বেদীত ডবা-শংখ, ঘণ্টা উৰুলি আদি মংগল ধ্বনীৰে পূজাস্থলী পৱিত্ৰ হৈ পৰে।

দশমীৰ দিনা বিজয়াৰ দিন। সেইদিনা দেৱীক বিসৰ্জন দিয়া হয়। দেৱী মাৰ মূৰ্তিক লৈ নাচি-বাগি নাম -গুণ গাই ভক্তসকলে শোভাযাত্ৰা কৰি কোনো নৈ -বিল আদিত মংগল -ধ্বনিৰে মুখৰিত কৰি দেৱীক বিসৰ্জন দিয়ে। দেৱীৰ প্ৰতি মানুহে বছৰটোলৈ অন্তৰৰ শেষ প্ৰণতি যাচি বিদায় দিয়ে।

দুৰ্গাপূজা এই উৎসৱটো বৰ্তমানত এক সৰ্বজনীন উৎসৱত পৰিণত হৈছে। এই উৎসৱ সকলো ভাৰতীয়ই আনন্দ-উল্লাসেৰে পালন কৰা দেখা যায়।

# অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ পটভূমি

সমাজখনত ব্যভিচাৰ, দুষ্কৃতি, কুপ্ৰথা আদিয়ে ছানি ধৰিছিল। সেই ঘূণে ধৰা সমাজখনক সুস্থিৰ আৰু একত্ৰিত কৰিবলৈ ভগৱানৰ অৱতাৰস্বৰূপে অসম ভূমিত জন্ম লৈছিল মহাপুৰুষ হৰিদেৱ, শংকৰদেৱ, দামোদৰদেৱ আৰু মাধৱদেৱকে আদি কৰি এই মহাপুৰুষসকল। আচলতে প্ৰাচীন কামৰূপত অধাৰ্মিক লোকে কৰা ধৰ্মীয় আৰু সামাজিক গ্লানিৰ ভয়াবহ ছবিবোৰ ভগৱানৰ দৃষ্টিত পৰিছিল আৰু মহাপুৰুষসকলক অসমভূমিলৈ পঠাইছিল। সেইসকল মহাপুৰুষে এই ৰাজ্যত জন্ম লৈয়েই মানুহৰ কল্যাণৰ অৰ্থে বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰিছিল। এনেদৰে পঞ্চদশ-ষোড়শ শতিকাত যিকেইগৰাকী মহান সন্ত পুৰুষৰ সাধনা, ত্যাগ, অসাধাৰণ ব্যক্তিত্বৰ প্ৰভাৱত পুণ্যভূমি অসম ৰাজ্যত এটি নতুন সাংস্কৃতিক জীৱন প্ৰতিষ্ঠিত হৈছিল। অনস্বীকাৰ্য যে ধৰ্মৰ ক্ষেত্ৰত এনেদৰে পংগুত্ব বৰণ কৰা সমাজখনক ধুই-পখালি লৈ এক সুগঢ়ী ৰূপত অৱস্থান কৰোৱা মহাপুৰুষসকলৰ লগতে বৈষ্ণৱ কবি-সন্তসকলৰ ভিতৰত ঘাই শিপাদাল ধৰিছিল শংকৰদেৱে।

মধ্যযুগত অসম বা কামৰূপৰ ধৰ্মীয় পৰিৱেশ বৰ্তমান সময়ৰ দৰে নাছিল বৰং সম্পূৰ্ণ বিপৰীত আছিল। সেই সময়ত বৰ্তমান প্ৰচলিত হৈ থকা পূজা-পাতল বা ধৰ্মীয় আচাৰ-অনুষ্ঠানসমূহ প্ৰচলিত নাছিল। অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ আগৰ কালচোৱাত বিশেষকৈ কামৰূপত সেই সময়ত প্ৰধানকৈ তান্ত্ৰিক পন্থাসমূহৰহে ব্যাপক প্ৰচলন আছিল। তান্ত্ৰিক বৌদ্ধধৰ্মই সমগ্ৰ অসমখন ছানি ধৰিছিল। এই সম্পৰ্কে বিভিন্নজন পণ্ডিতে ভিন ভিন মন্তব্য আগবঢ়াইছে। তাৰ ভিতৰত -

ড° মহেশ্বৰ নেওগে কৈছে যে প্ৰাকশংকৰী যুগৰ ধৰ্মৰ নামত চলা কাণ্ড-কাৰখানাবোৰে কোনো সুস্থ মানসিকতাৰ ব্যক্তিকেই বিতুষ্ট আৰু বিব্ৰত নকৰাকৈ নাৰাখে। ড° নেওগে আৰু কৈছে- "কামৰূপ বিশেষকৈ বজ্ৰযানীসকলৰ লীলা-খেলাৰ ঠাই হৈ পৰিছিল।" (অসমৰ ধৰ্মৰ বুৰঞ্জী, আন্ধাৰ আৰু পোহৰ)

লক্ষ্মীনাথ বেজবৰুৱাই কৈছে — "শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়ত অসমত তান্ত্ৰিক শক্তিপূজা প্ৰচলিত আছিল। হাঁহ, ছাগলী, পাৰ, ম'হ, আনকি মানুহ পৰ্যন্ত বলি দি দেৱী গোসাঁনীৰ পূজা কৰা হৈছিল। সম্ভৱতঃ সেই কালতে বা তাৰ কিছু আগতে ৰচিত হোৱা কালিকা পুৰাণত মানুহ বলিৰ বিষয়ে বিশেষকৈ লেখা আছে। সেই কালত কামাখ্যাত এক শ্ৰেণীৰ মানুহ আছিল, সিহঁতক ভোগী নাম দিয়া হৈছিল। সেই মানুহবোৰ নিজৰ ইচ্ছাতে দেৱীৰ আগত বলি হ'বৰ নিমিত্তে সাজু আছিল। যিদিনাৰ পৰা সিহঁতক দেৱীয়ে বলি লবলৈ আদেশ দিছে বুলি প্ৰকাশ কৰিছিল, সেই দিনাৰ পৰা সিহঁতক অন্য লোকে মান্য সংকাৰ কৰিছিল, আনকি সিহঁতে ইচ্ছামতে যিকোনো তিৰোতাক সম্ভোগ কৰিবৰ অধিকাৰ পাইছিল। বছৰেকৰ মূৰত দেৱী পূজাৰ সময়ত সেই মানুহবোৰ বলি দিয়া হৈছিল। ভৌতিক বিদ্যা, ঐন্দ্ৰজালিক বিদ্যা, মণ্ডল চোওৱা, সুৰাপান, গৰ্ভৱতী তিৰোতাৰ গৰ্ভ ছিৰি ভ্ৰূণ পৰীক্ষা আদি জঘন্য কাৰ্যও তান্ত্ৰিকসকলৰ ভিতৰত প্ৰচলিত আছিল। এইবোৰ কথাৰ পৰাই শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ কাল আৰু তাৰ আগডোখৰত অসমত তান্ত্ৰিক শাক্ত ধৰ্ম যে খুব প্ৰচলিত আছিল সেইটো ভালকৈ জানিব পাৰি। নৰনাৰায়ণ ৰজাই কামাখ্যাৰ মন্দিৰ নতুনকৈ সজাই গোসাঁনী প্ৰতিষ্ঠা কৰি গোসাঁনী পূজাৰ নিমিত্তে বংগদেশৰ পৰা ভাল বামুণ অনাই কামাখ্যাত বহুৱাইছিল। সেইদেখি ইয়াৰ আগৰ কালত, কমলেশ্বৰ দুৰ্লভনাৰায়ণে গৌৰেশ্বৰ ধৰ্মনাৰায়ণৰ পৰা কনৌজৰ কৃষ্ণ পণ্ডিত প্ৰমুখ্যে সাতঘৰ বামুণ আৰু চণ্ডীবৰকে প্ৰমুখ্য কৰি সাতঘৰ কায়স্থ অনাই তেওঁৰ ৰাজ্যত পাতিছিল।"

এই সন্দৰ্ভত পদ্মেশ্বৰ গগৈয়ে তাৰাদেৱীৰ উপাসনা, অসম সাহিত্য সভা পত্ৰিকা', ১৮৯৭ শক, পুহ-চ'ত সংখ্যা, পৃ: ১৭৭ত কৈছে যে কামাখ্যা-মাৰ পূজা আচলতে বৌদ্ধ তান্ত্ৰিক তাৰাৰ পূজা য'ত চীন-তাৰাক সাধন কৰাৰ দৰে পঞ্চমকাৰ যোগে দেৱী সাধন কৰাৰ ব্যৱস্থা আছিল বা আজিও গুহ্যতম ভাৱে কাৰ্যত নহলেও নীতিত আছে।

ড° লীলা গগৈয়ে অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, পৃ: ৪-৫ত কৈছে, "অসমত তন্ত্ৰ মন্ত্ৰৰ চৰ্চা অতি পুৰণি কালৰে পৰা চলি আহিলেও প্ৰাক্ শঙ্কৰী যুগত তান্ত্ৰিক বৌদ্ধধৰ্মৰ প্ৰসাৰৰ সময়ত ইয়াৰ ব্যাপকতা অধিক বৃদ্ধি পায়।"

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই অসম সাহিত্য সভা পত্ৰিকা, পঞ্চদশ বছৰ, ১৮৭৮ শক, পুহ-চ'ত, তৃতীয় সংখ্যা, পৃ: ২৩৩ ত এইবুলি লিখি গৈছে - "৭ম শতিকাৰ শেষ ভাগৰ পৰা বৌদ্ধধৰ্মত নানা ৰকমৰ পৰিবৰ্তনে দেখা দিয়ে। ইয়াৰ ফলত বৌদ্ধধৰ্ম্মৰ মাজত মন্ত্ৰযান, ব্ৰজযান, তন্ত্ৰযান আদি কেইবাটাও ৰহস্যবাদী পন্থাৰ সৃষ্টি হয়। ভাৰতীয় আৰু তিব্বতীয় পুথি পাঁজি আদিৰ পৰা জানিব যে সেই সময়ত অসমত বজ্ৰযান পন্থাৰ বৌদ্ধধৰ্ম্মৰহে প্ৰচলন আছিল। তান্ত্ৰিক বৌদ্ধধৰ্ম( বজ্ৰযান)ৰ আচাৰ-অনুষ্ঠানসমূহ অতি অশ্লীল আৰু বীভৎস আছিল। "

ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে- "The description given by Sankaradeva tends to imply that during his own time there were people in the society who followed a degenerated Buddhist Tantricism of Vajrayana form. ...Such people were indulging in a lot of immorality without having any respect of food and sex. They were all heretics seeking only sexual gratification. There was only an occult debased Buddhism and not the noble faith propagated by the compassionate Buddha."(The Comprehensive History of Assam, Vol.3, P.241-242, Editor: H.K.Barpujari).

ড° মুকুন্দ মাধৱ শৰ্মাৰ মতে সপ্তম শতিকাতে শাক্ত তন্ত্ৰ আৰু বৌদ্ধ তন্ত্ৰৰ সমন্বয় ঘটিছিল আৰু কামাখ্যাই হৈ পৰিছিল সেই বৌদ্ধ তন্ত্ৰৰ প্ৰধান কেন্দ্ৰ। তেওঁ কৈছে, "In the seventh century A. D. there evolved the Tantric Buddhism through the fusion of Sakta Tantricism and Buddhist ideas. In the Buddhist Tantric circle Kamrupa or Kamakhya has been recognied as an important holy place(pitha)."( The Comprehensive History of Assam, Vol.1, P. 318).

ড° নগেন্দ্ৰনাথ আচাৰ্যই কৈছে, বৈষ্ণৱ ধৰ্ম প্ৰচলনৰ আগচোৱাত কামৰূপত বজ্ৰযান, সহজীয়া মাৰ্গ, শাক্ত তান্ত্ৰিক পন্থৰহে ব্যাপক প্ৰচলন আছিল। তেওঁ কৈছে যে " In the field of religion, the period had a unique position. The debased forms of later Buddhism known as the Vajrayana and Sahajia were at first succeeded by Saktism. The Saktism and the Trantriksm mingled with pseudo-Buddhistic culture were the predominating religion of ancient Kamrupa. Kamakhya was the centre of Tantric culture and its fame spread throughout India. At that time study of religion was confined to the erudite section of the people, i. e. Brahmins." ( The History of Medieval Assam, P. 260)

কনকলাল বৰুৱাই কৈছে- "In actual practice the Vajrayana system was against religion and morality. It defined nirvana as mahasukha and explained the condition of the Boddhi-mind in Nirvana as in the embrace of a woman. ... Religion and morality were at the lowest ebb when this system flourished in India."( Reading in the History and Culture of Assam, P. 15)." নাৰীকেন্দ্ৰিক এইবিলাক পন্থকে বামাচাৰী পন্থা বুলি কোৱা হয়।

ড° গিৰীশ চন্দ্ৰ বৰুৱাই পৃথিৱীৰ বিভিন্ন ধৰ্ম: এক তুলনামূলক অধ্যয়ন, পৃ: ৩২৪ত লিখিছে, পিচলৈ শাক্তধৰ্ম বৌদ্ধধৰ্মৰ লগ লাগি বামাচাৰী পন্থালৈ ৰূপান্তৰিত হয়। ফলত ধৰ্মৰ নামত বহুতো ব্যভিচাৰ দেখা দিয়ে। সেই সময়ত প্ৰচলিত শৈৱ আৰু বৈষ্ণৱ ধৰ্মই এই বামাচাৰী প্ৰথাক প্ৰতিহত কৰিব পৰা নাছিল। বামাচাৰী তন্ত্ৰ প্ৰথাৰ অত্যাচাৰত শৈৱ আৰু বৈষ্ণৱ পন্থা স্তিমিত হৈ আহিবলৈ ধৰিলে।

ড° প্ৰহ্লাদ কুমাৰ বৰুৱায়ো এইক্ষেত্ৰত কৈছে যে মধ্যযুগৰ কামৰূপত তান্ত্ৰিক ধৰ্মই ভয়াবহ ৰূপ ধাৰণ কৰাৰ সময়তে মূল বৌদ্ধ ধৰ্মৰ বিকৃতিয়ে গা কৰি উঠিছিল। সপ্তম শতিকা মানতে জন্ম লাভ কৰা বৌদ্ধ ধৰ্মৰ বিভিন্ন যান বা পন্থাই কেৱল বৌদ্ধ ধৰ্মকেই যে বিকৃত কৰিছিল এনে নহয়; সামগ্ৰিকভাৱে সমাজখনক চৰম অনৈতিকতাৰ পিনে লৈ গৈছিল। প্ৰাচীন কামৰূপৰ ধৰ্মৰ উচ্ছৃংখলতা আৰু অনৈতিকতাক অধিক উৎকট ৰূপ দিয়াত 'যোগিনীতন্ত্ৰ'ই প্ৰভুত অৰিহণা যোগালে। পৰিমাৰ্জিত নৱবৈষ্ণৱ ধৰ্মই সৰ্বদা বৰ্জন কৰিবলৈ উপদেশ দিয়া মদ্য, মুদ্ৰা, মৈথুনৰ সপক্ষে মত পোষণ কৰি, 'যোগিনীতন্ত্ৰই সমাজত অনৈতিকতাক ধৰ্মীয় মৰ্যাদা দিলে।" ( ধৰ্ম সমীক্ষা, পৃ: ১৪-১৫।

আনহাতে মধ্যযুগৰ কামৰূপতে ৰচিত কালিকাপুৰাণেও যৌনগন্ধী কথাবোৰক ধৰ্মীয় অনুমোদন জনাইছিল। ড°লীলা গগৈয়ে কালিকাপুৰাণত উল্লেখ থকা শবৰোৎসৱৰ বিৱৰণ দি কৈছে, " 'কালিকা পুৰাণ'ত শবৰোৎসৱ বুলি এটা শাৰদীয় দুৰ্গাপূজাৰ সমসাময়িক উৎসৱৰ বৰ্ণনা আছে। বিজয়া দশমী উপলক্ষে এই যৌন সম্পৰ্ক থকা উৎসৱ পালন কৰা হয়।" ( অসমৰ সংস্কৃতি, পৃ: 30)

মধ্যযুগৰ কামৰূপত প্ৰচলিত প্ৰায় সকলো তান্ত্ৰিক পন্থতে নাৰী-সাধনা প্ৰধান বিষয় আছিল। সেই নাৰী-সাধনাৰ সন্দৰ্ভত ড° বাণীকান্ত কাকতিয়ে লিখিছে- "সহজীয়া সম্প্ৰদায়ৰ দুই ৰূপ-শাক্ত আৰু বৈষ্ণৱ। শাক্তৰ উপাস্য ভৈৰৱ-ভৈৰৱী আৰু বৈষ্ণৱৰ উপাস্য ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি। সহজীয়া মতৰ স্থুল মৰ্ম্ম হৈছে এইটো যে, সৰ্বতোপ্ৰকাৰে ভোগ-সম্ভোগৰ পৰা যি সহজ স্বাভাৱিক আনন্দ লাভ হয়, তাৰ পৰাই নিৰ্বাণ-পদ লাভ কৰিব পাৰে আৰু এই আনন্দ সম্পূৰ্ণ হ'ব লাগিলে পৰাঙ্গনাৰ লগত প্ৰীতি স্থাপন কৰিব লাগে।" ( বাণীকান্ত ৰচনাৱলী, পৃ: ২৭)।

ড° নিৰ্মলপ্ৰভা বৰদলৈৰ মতেও -"সহজীয়া মত নামে প্ৰসিদ্ধ হোৱা এই সম্প্ৰদায়ৰ সাধন মাৰ্গত ইন্দ্ৰিয় তৃপ্তিৰ প্ৰতি সমৰ্থন জনোৱা হৈছে। ... প্ৰবাদ আছে যে এই শ্ৰেণীৰ সন্ন্যাসীয়ে অনেক চল-বুদ্ধি কৰি মন্ত্ৰৰ বলেৰে অনেক লোকৰ জীয়াৰী-বোৱাৰীক অপহৰণ কৰিছিল।" ( গোপন সাধনা ৰাতিসেৱা, পৃ: 26)।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অতুল চন্দ্ৰ বৰুৱাই লিখি গৈছে- "তান্ত্ৰিকসকলৰ নাৰী- সাধনা আৰু সহজীয়া পন্থীসকলৰ নাৰী- সাধনা প্ৰায় একে ধৰণৰ কথা। দুয়োতে পৰকীয়া প্ৰীতিৰ প্ৰাধান্য মানি লোৱা হয়।" ( অতুল চন্দ্ৰ বৰুৱা ৰচনাৱলী, পৃ: ৫৭৬ )

কামৰূপত এনে অৱস্থা হোৱাৰ সময়তে মধ্যযুগৰ কামৰূপত তান্ত্ৰিক বৌদ্ধধৰ্ম(বজ্ৰযান), সহজীয়া মাৰ্গ, শাক্ত ধৰ্ম, শৈৱ ধৰ্ম, বৈষ্ণৱ ধৰ্ম, কৈৰাটজ ধৰ্ম আৰু চীনাচাৰ( চীনৰ তাওধৰ্ম)- সকলোৰে সংমিশ্ৰণ ঘটিছিল আৰু তাৰ ফলশ্ৰুতিতে ধৰ্মৰ নামত কেৱল ব্যভিচাৰহে চলিবলৈ ধৰিলে। কামৰূপতে ৰচিত কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰত সেইবিলাক আচাৰ-অনুষ্ঠানৰ আভাস পোৱা যায়। সম্পৰ্কৰ বাচ-বিচাৰ নোহোৱা যৌনাচাৰ মুক্তি লাভৰ উত্তম উপায় বুলিয়েই বিবেচিত হৈছিল। এনেবোৰ কথাৰ বাবে সমাজত নৈতিকতাৰ ভয়াবহ স্খলন হৈছিল আৰু ধৰ্মৰ নামত কেৱল অধৰ্মহে চলিছিল। এই প্ৰসংগত চীন দেশৰ পণ্ডিত Huang Xichuan( Dy. Director, The Institute of South Asian Studies, Beijing University) এ কৈছে -" ...in its last stage Buddhism mixed with Hinduism again; in other words, Vajrayana mixed with Sakta. It is almost difficult to distinguish between Vajra-Yana and Sakta, either in the object of worship, the god- spirits or in the religious rituals. Both in theory and practice Chinese Taoism has some thing common with Saktah.... Among the practices of Saktah there is " double body" (maithuna or sexual union); among the practices of Taoism there is the "art of sexual intercourse)". ... the well known Sakta master, Vasistha, once paid a visit to China specially for the purpose of learning Cinacara from Chinese Taoists."( Freedom of Progress & Society, Editors: R. Balasubramanian and Sibjiban Bhattacharya, P. 132).

এইদৰে কামৰূপত তান্ত্ৰিক বৌদ্ধ ধৰ্ম, তান্ত্ৰিক শাক্তধৰ্ম, চীনাচাৰ, সহজীয়া মাৰ্গ তথা কৈৰাটজ ধৰ্ম আদি সকলো পন্থৰ সংমিশ্ৰণ অৰ্থাৎ cocktail হৈ কামৰূপত ভয়াবহ অৱস্থাৰ উদ্ভৱ হৈছিল। ড° মহেশ্বৰ নেওগৰ ভাষাৰে- "মুঠতে তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ লীলাক্ষেত্ৰ ৰূপে কামৰূপ বিখ্যাত হৈ পৰিছিল। এই তান্ত্ৰিকতাৰ বহুতো আচাৰ হিন্দু তন্ত্ৰেৰে মিহলি হৈ ঐন্দ্ৰজালিকতা আদিৰ ভয়াবহ পৰিস্থিতি এটা সৃষ্টি কৰিছিল।" (পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, পৃ: ৪৫)।

ড° বাণীকান্ত কাকতিয়েও লিখি গৈছে- "যদি কুমাৰী পূজা কৰোঁতে কোনোবাই কামযুক্ত হয়, তেনেহ'লে সি বৈকুণ্ঠগামী হয়-" যদি কামী ভবেৎ কোহপি বৈকুণ্ঠং পৰমং ব্ৰজেৎ।" ( বাণীকান্ত ৰচনাৱলী, সম্পাদক ঃ ড° মহেশ্বৰ নেওগ, পৃ: ২০০)।

মুঠতে সামগ্ৰিকভাৱে মধ্যযুগৰ অসমত প্ৰচলিত উল্লিখিত সকলো পন্থই বামাচাৰী পন্থহে আছিল, য'ত নাৰীৰ সঙ্গ অতি আৱশ্যকীয় বিষয় আছিল। ড° বাণীকান্ত কাকতিৰ ভাষাৰে- "The companionship of a woman is the prime requisite of a Vamacari devotee." (The Mother Goddess Kamakhya, P. 4 7).

কিছুমান তান্ত্ৰিক শাস্ত্ৰৰ বিধি-ব্যৱস্থা ইমানেই অশ্লীল আৰু বীভৎস যে সেইবিলাক সামাজিক মাধ্যমত লিখাৰ মুঠেই উপযোগী নহয়। (অৱশ্যে তেনে বহু বিধি-ব্যৱস্থা আমাৰ "অসমীয়াৰ ব্ৰহ্মতালুত সৰ্পদংশন" গ্ৰন্থখনত দাঙি ধৰা হৈছে। )

ড°অৰ্চনা মহন্তই বিভিন্ন দেৱ-দেৱী, ডাকিনী-যোগিনী, ভূত-প্ৰেতৰ সন্তুষ্টিৰ বাবে নৰবলিকে ধৰি অন্যান্য জীৱ-জন্তুৰ বলিবিধানৰ কথা উল্লেখ কৰিছে। তেওঁ কৈছে যে দেৱ-দেৱীৰ আগত জীৱ-জন্তু বলি দি সেই বলিৰ কেঁচা ৰক্তকে "প্ৰসাদ" হিচাপে গণ্য কৰি ভক্তসকলে উন্মত্ত হৈ নাচি-বাগি পান কৰাৰ উল্লেখ চৰিত পুথিতে পোৱা যায়। কালিকাপুৰাণে নৰবলিক শ্ৰেষ্ঠ বুলি ঘোষণা কৰিছিল। গো-বলিৰ অনুমোদনো কালিকাপুৰাণত পোৱা যায়। যোগিনীতন্ত্ৰই আকৌ হাজাৰ বা লাখৰ হিচাপত নৰমুণ্ড সংগ্ৰহ কৰি দেৱীৰ বেদী প্ৰতিষ্ঠা কৰাৰ বিধান দিছিল। মুঠতে এনেবিলাক কথাৰ বাবেই কামৰূপ নৰবলিৰ বাবে প্ৰখ্যাত হৈ পৰিছিল আৰু নানা দেৱ-দেৱীৰ সন্তুষ্টিৰ বাবে কিমান লোকে যে বলিশাল ডিঙি পাতি দিবলগীয়া হৈছিল, তাৰ সীমা-সংখ্যা নাই।

মুঠতে মধ্যযুগৰ কামৰূপত ব্যাপকভাৱে প্ৰচলিত থকা উল্লিখিত প্ৰকাৰৰ তান্ত্ৰিক উপাসনা পদ্ধতিসমূহ মুক্তিলাভৰ উপায় হওক বা নহওক, কিন্তু সেইসমূহৰ বাবেই যে সমাজত নৈতিকতাৰ ভয়াবহ স্খলন ঘটিছিল, সেই কথা অস্বীকাৰ কৰিব পৰা নাযায়। ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ ভাষাৰে- "Tantrik rituals with many abominable corruptions were also practised in Assam in the centuries before the birth of Sankardeva. The Tantrik mode of worship consisted of elaborate rituals including occasionally human sacrifices. Magic, mantra(the word of power), and other esoteric practices were considered the easiest means of attaining salvation. Whatever may be the efficacy of Tantrik worship as a means of salvation, there can be no denying the fact that it led eventually to moral decadence, social corruption, perversion, and blasphemy." (History of Assamese Literature, 1964, p. 19).

উল্লিখিত বামাচাৰী আচাৰ-নীতিসমূহে সমাজখন এনেধৰণে ছানি ধৰিছিল যে আনসকলৰ কথা বাদেই, হিন্দু ধৰ্মৰ ৰক্ষক হিচাপে খ্যাত ব্ৰাহ্মণসকলো তাৰ প্ৰভাৱৰ পৰা সাৰি যাব পৰা নাছিল। সেয়ে ব্ৰাহ্মণ পণ্ডিত ৰাম সৰস্বতীয়ে "ব্যাসাশ্ৰম" পুথিত লিখি গৈছে-

"ব্ৰাহ্মণবৰ্গৰ শুচি হৈবেক কিঞ্চিত।
ধন পাই অধৰ্ম্মত কৰিবেক চিত।।
মহাপাপমতি হৈব লোক দুৰাচাৰ।
বিপ্ৰসৱে বৌধশাস্ত্ৰ কৰিবে প্ৰচাৰ।।"

গুণাভিৰাম বৰুৱাই 'বৌদ্ধাচাৰী' কিয় কোৱা হৈছিল সেই প্ৰসংগত এনেদৰে লিখি গৈছে- পূৰ্ব্বে অনেক প্ৰবলৰূপে হিন্দু ধৰ্ম্ম চলতি হোৱাটো প্ৰায় শঙ্কৰদেৱৰ দিনলৈকে লোকবিলাক অনাচাৰী আছিল আৰু সেই দেখি সেই দিনত সেই লোকসকলক 'বৌদ্ধাচাৰী' বুলি কৈছিল। ৰজা হৰেন্দ্ৰ নাৰায়ণ সংকলিত "বৃহৎ ৰাজবংশাৱলী"ত মধ্যযুগৰ কামৰূপৰ ধৰ্মীয়-সামাজিক অৱস্থাৰ বিৱৰণ এনেদৰে পোৱা যায়-

"চিৰকালে ব্ৰহ্মচাৰ্য্য নাহি কামৰূপে।
একাদশী ব্ৰত নাহি কহিল স্বৰূপে।"

এইদৰে সুদীৰ্ঘ কাল অসমৰ ধৰ্মীয় আকাশখন নানা বামাচাৰী তথা উৎকট যৌনগন্ধী আচাৰ-নীতিয়ে ছানি থকাৰ পৰিপ্ৰেক্ষিতত এনে ভ্ৰষ্টাচাৰবোৰ গুচাবৰ কাৰণেই অসমৰ বৈষ্ণৱ-ধৰ্ম্ম সংস্কাৰক মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ, শ্ৰীমন্ত শঙ্কৰদেৱে, শ্ৰীশ্ৰী দামোদৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ আদি মহাপুৰুষসকলে অসমখন সেইবিলাকৰ পৰা মুক্ত কৰিবলৈ ভক্তি আন্দোলনৰ পাতনি মেলে।

## সামাজিক মাধ্যমৰ ওপৰত

বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছে। আজি অসম আৰক্ষীৰ চি আই ডি (CID) বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে এই বিষয়ে সতৰ্কবাৰ্তা জাৰি কৰিছে। প্ৰসঙ্গত, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সৈতে সংশ্লিষ্টতাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তৰ কেইবাখনো ফটো সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। এই ফটোসমূহৰ মাজত শ্যামকানু মহন্তক হেণ্ডকাফ পৰিহিত অৱস্থাত আৰক্ষীৰ হাতত ধৰাৰ দৃশ্যৰ লগতে আৰক্ষী থানাৰ লক-আপৰ ভিতৰৰ কথিত ছবিও ভাইৰেল হৈছে। বিশেষকৈ এখন ফটোত শ্যামকানুক চি আই ডিৰ আৰেষ্টনীত আৰক্ষীৰ বাহনত হাঁহি থকা অৱস্থাত দেখা গৈছে। এই ফটোটো এআইৰ জৰিয়তে সম্পাদিত বুলি সন্দেহ কৰা হৈছে, য'ত কিছুমানে শ্যামকানুৱে চি আই ডিৰ জিম্মাত 'ৰাজ আতিথ্য' পোৱাৰ ধাৰণা সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। এনে পৰিস্থিতিত অসম আৰক্ষীৰ চি আই ডি বিভাগে স্পষ্টভাৱে ঘোষণা কৰিছে যে ভুৱা ফটো, এআই-জনিত ছবি আৰু মিছা খবৰ প্ৰচাৰকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই ধৰণৰ কাৰ্যৰ জৰিয়তে জনমানসত বিভ্ৰান্তি সৃষ্টি আৰু তদন্ত প্ৰক্ৰিয়াত বাধা সৃষ্টিৰ প্ৰয়াসক চি আই ডি গুৰুত্বৰ সৈতে লৈছে।

# দুৰ্গা পূজাই আসুৰিক শক্তিবোৰ বিনাশ কৰক

দুৰ্নীতি, অনীতি, ব্যভিচাৰ, অন্যায়, অবিচাৰ, শোষণ, লুণ্ঠন, ঠগ-প্ৰৱঞ্চনা, হত্যা-হিংসা, অপহৰণ, ধৰ্ষণ আদি অসৎ কামবোৰ সংঘটিত হৈছে। জনবিশ্বাস মতে দুৰ্গাদেৱী প্ৰাণদায়িনী সংহাৰকাৰিণী আৰু ৰক্ষাকাৰিণী। সেয়েহে সমাজৰ পৰা এই আসুৰিক শক্তিবোৰ বিনাশ কৰিবলৈ দুৰ্গাদেৱীক পূজা কৰা হয়। এইটো সত্য যে দুৰ্গাদেৱী মনুষ্যৰ উদ্ধাৰকাৰিণী আৰু কল্যাণময়ী মাতৃ স্বৰূপা আই গোসাঁনী। সেয়েহে ভক্তই তেওঁৰ চৰণত প্ৰণিপাত জনাই গায়-

'ওঁ যা দেৱী সৰ্বভূতেষু মাতৃ ৰূপেন সংস্থিতা
নমস্তসৈ .. নমস্তসৈ .. নমস্তসৈ .. নমো নমঃ।'

প্ৰণিধানযোগ্য যে শৰৎ কালত দুৰ্গা পূজা অতি বিতোপন, য'ত মূৰ্তি পূজা কৰা হয়। পুৰাণৰ মতে গিৰিৰাজ হিমালয়ৰ ঔৰসত, মেনকা দেৱীৰ গৰ্ভত দুৰ্গাদেৱীৰ জন্ম হয়। দেৱাদিদেৱ মহাদিদেৱ দুৰ্গাদেৱীৰ স্বামী। সত্য যুগত সুৰথ নামৰ এজন ৰজাই শত্ৰুৰ হাতত পৰাস্ত হৈ ৰাজ্য হেৰুৱাই মেধচ মুনিৰ আশ্ৰমত গৈ মুনিৰ শৰণাপন্ন হৈছিল আৰু মুনিৰ পৰামৰ্শৰ মতেই মধুময় বসন্ত মধুৰ পৰিৱেশত প্ৰথম দুৰ্গা পূজা অনুষ্ঠিত কৰি দুৰ্গা মাৰ আশীৰ্বাদ লৈ শত্ৰুক পৰাস্ত কৰিছিল। দুৰ্গা দেৱীৰ পূজাক লৈ বহু জনশ্ৰুতি আছে। আমি ভাবো যে মহালয়াৰ দিনা দুৰ্গা দেৱীৰ আৱিৰ্ভাৱ হয়। দেৱী দুৰ্গা মহামায়া, মহাশক্তি, জগতৰ মাতৃস্বৰূপা, প্ৰাণদায়িনী, অন্নদায়িনী, অন্তহীন শক্তিৰে মহিমামণ্ডিত আই বসুন্ধৰা। এই দুৰ্গাদেৱীৰ প্ৰতিমূৰ্তিত পূজা কৰা হয় অন্য দেৱ-দেৱীৰ দৰেই। দুৰ্গাদেৱীক সকলো শক্তিৰেই আধাৰ বুলি ধৰা হয়। শৰৎ কালৰ সকলো উৎসৱ-পৰ্বৰ ভিতৰত দুৰ্গা পূজাৰ প্ৰাধান্য আৰু জনপ্ৰিয়তা বেছি।

'পৰম ব্ৰহ্ম স্বৰূপাঞ্চ-বেদ গৰ্ভানং জগৎময়ী
শৰণে ত্বামহং বন্দে দুৰ্গাং দুৰ্গতি নাশিনীম।'

ব্ৰহ্মবৈবৰ্ত পুৰাণত কৃষ্ণকে দুৰ্গা পূজাৰ প্ৰৱৰ্তক বুলি কোৱা হৈছে। তাত কোৱা হৈছে যে সৃষ্টিৰ আদিতে পৰমাত্মা শ্ৰীকৃষ্ণই বৃন্দাবনত গোপ-গোপীৰ সহিতে দুৰ্গা পূজা কৰিছিল। কৃত্তিবাস ৰামায়ণৰ মতে ত্ৰেতা যুগত ৰাৱণক বধ কৰিবলৈ শক্তি লাভৰ উদেশ্যে শ্ৰীৰামচন্দ্ৰই শৰৎ কালত অকালতে দেৱী পূজা কৰিছিল।। হয়তো সেয়েহে হিন্দু ধৰ্ম বা সনাতন ধৰ্মৰ লোকসকলে যুগে যুগে বিভিন্ন দেৱ-দেৱীৰ পূজা পালন কৰাৰ লগতে দুৰ্গা পূজা পালন কৰি আহিছে। এই পূজা কৰিবলৈ যাওঁতে দেৱ-দেৱীৰ প্ৰতীক হিচাপে প্ৰতিমা স্থাপন কৰি পূজা কৰা হয়। প্ৰতিমা শব্দৰ অৰ্থ হ'ল প্ৰতিকৃতি বা প্ৰতিমূৰ্তি। সেয়েহে প্ৰতিমা মানে ঈশ্বৰ বা দেৱ-দেৱী নহয়। আমাৰ যেনেকৈ মা-দেউতাৰ ছবি সকলোৰে বাবে প্ৰিয়, ঠিক সেইদৰে দেৱ-দেৱীৰ ছবি বা প্ৰতিমূৰ্তি সনাতন ধৰ্মৰ লোকসকলৰ বাবেও অতিকৈ আপোন। সেয়েহে কোনেও এইলোকৰ প্ৰতিচ্ছবি অৱমাননা কৰাৰ থল নাথাকে। এইটো নহয় যে শ্ৰদ্ধাৰ ব্যক্তিসকলৰ প্ৰতি সন্মান কৰাটো অন্তঃসাৰশূন্য এক ভক্তিভাৱ মাত্ৰ।। প্ৰতিমা মানে প্ৰতীক। গোলকটোৱে যেনেকৈ এখন বিশাল পৃথিৱীৰ ধাৰণা স্পষ্ট কৰিব পাৰে, এখন দেশৰ মানচিত্ৰই যেনেকৈ ভৌগোলিক অৱস্থান নিৰ্ণয় কৰাত সহায় হিচাপে কাম কৰে, কোনো কামৰ পৰিকল্পনা কৰিবলৈ যেনেকৈ একোটা নক্সাৰ প্ৰয়োজন হয়, কোনো গন্তব্যস্থান পাবলৈ যিদৰে কোনো নিৰ্দেশনা বা প্ৰতীক চিহ্নৰ সহায় লোৱা হয় সেইদৰে পৰমাৰ্থিক কোনো বিমূৰ্ত চেতনাক জাগ্ৰত কৰিবলৈ প্ৰতিমাৰ দৰে প্ৰতীক বা ছবি সহায় লোৱাতো স্বাভাৱিক। সেয়েহে হয়তো দেৱ-দেৱীৰ উপাসনা বা পূজা কৰা লোকসকলে প্ৰতিমাক প্ৰতীক হিচাপে লৈ আত্মসন্তুষ্টি লভে। কিন্তু অসমত সনাতন পন্থী লোকসকলে মূৰ্তি পূজা কৰে যদিও শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰা ভক্তসকলে এই দেৱ-দেৱীক পূজা-অৰ্চনা নকৰে। এই ভক্তসকলৰ কিছুসংখ্যকে আকৌ দেৱী পূজা কৰা লোকসকলক কোনো ক্ষেত্ৰত হেয় প্ৰতিপন্ন কৰাও দেখা যায়। তেওঁলোকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নিম্নোক্ত কথাষাৰ দোহাই দি নিজকে শুদ্ধ পথত থকা বুলি ক'ব খোজে-

'আন দেৱী-দেৱ
নকৰিবা সেৱ
গৃহে নপশিবা তাৰ
মূৰ্তিকো নাচাইবো
প্ৰসাদো নাখাইবো
ভক্তি হ'ব ব্যভিচাৰ'

বহুতৰ মুখত এই বাক্যশাৰী শুনিলে আমি দেৱী পূজকসকলে নিজকে কেতিয়াবা অপৰাধ কৰা যেন লাগে। আমি বাৰু অনৰ্থক কাম কৰিছো নেকি? মূৰ্তি বা প্ৰতিমা পূজা কৰি আমাৰ গুৰুজনা শংকৰদেৱক অৱমাননা কৰিছো নেকি? মোৰ ব্যক্তিগত অভিমত এই যে প্ৰতিমা বা মূৰ্তি পূজা কৰি আমি একো ভুল কৰা নাই। শ্ৰীৰামচন্দ্ৰক যদি ত্ৰেতা যুগৰ অৱতাৰি পুৰুষ বা ঈশ্বৰ বুলি পূজা কৰা হয় তেন্তে তেখেতৰ অনুকৰণ কৰাটো আমাৰ দুখ হ'ব নেকি? অন্যহাতে, উদ্ধৃত ঘোষা ফাঁকি যদি কবিতা বুলি ধৰা হয় তেন্তে তাৰ অৰ্থও যে বিভিন্ন জনে বিভিন্ন ধৰণেৰে ব্যাখ্যা নিদিব তাৰ মানে নাই। যি কি নহওক, সকলো ধৰ্মৰে মূলমন্ত্ৰ হ'ল অহিংসাই পৰম ধৰ্ম। সৎ কাম কৰিলে সৎ ফল আৰু অসৎ কাম কৰিলে অসৎ ফল। সকলোৰে ওপৰত দৃষ্টি দিওঁতা বা ঐশ্বৰিক শক্তিৰ অধিকাৰী এজন যে আছে সেয়া নিশ্চিত। গতিকে মূৰ্তি পূজা হওক বা নিৰাকাৰ অথবা সাকাৰ পূজাই হওক সকলোতেই সেই ঐশ্বৰিক শক্তিকে পূজা কৰা হয়। ইয়াত কাৰোৰে দ্বিমত থকাটো উচিত নহয় বুলি মই ক'ব খোজো।

## বৈকুণ্ঠ ধামলৈ পৰিণত

উঠিছিল। উপস্থিত সকলোৰে চকুত জুবিনৰ অভাৱৰ শোকত চকুলোৰ ধাৰা বৈছিল। অনুষ্ঠানৰ শেষত গৰিমা শইকীয়া গাৰ্গে সংবাদ মাধ্যমৰ সৈতে কথা পাতি যোৰহাটবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। তেওঁ কয়, "মই যোৰহাটৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰোঁ, কাৰণ আমি প্ৰথমে ইয়ালৈ আহিব নোৱাৰিলোঁ। পৰিয়ালৰ কিছু সমস্যাৰ বাবে, বিশেষকৈ দেউতাৰ অসুস্থতাৰ কাৰণে, আমি প্ৰথমে যোৰহাটলৈ আহিব পৰা নাছিলোঁ। যদি প্ৰথমে ইয়ালৈ আহিলোঁহেঁতেন, তেন্তে ৰাইজৰ বাবে ভাল লাগিলহেঁতেন।" তেওঁ আৰু কয়, "জুবিন যোৰহাটৰ মাটিত ডাঙৰ হৈছিল, এই ঠাইৰ পৰাই তেওঁৰ সংগীতৰ যাত্ৰা আৰম্ভ হৈছিল। যোৰহাটৰ ৰাইজে এই মাংগলিক অনুষ্ঠান অতি সুন্দৰকৈ আয়োজন কৰিছে।" গৰিমাই জুবিনৰ সপোনৰ অসমৰ কথাও উল্লেখ কৰে। তেওঁ কয়, "জুবিনে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এক মিলাপ্ৰীতিৰ সমাজ গঢ়ি তুলিব বিচাৰিছিল। এই কেইদিনত অসমবাসীয়ে তেওঁৰ সেই সপোনক বাস্তৱত পৰিণত কৰিছে। বিভিন্ন সম্প্ৰদায়ৰ লোকে একেলগে জুবিনৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁক প্ৰাৰ্থনাৰে বিদায় দিছে। মই বিশ্বাস কৰোঁ, জুবিনৰ পৰলৈ যোৱাৰ পথো এই মৰমে সুগম কৰিব।" গৰিমাই সকলোকে মিলাপ্ৰীতিৰে একেলগে থাকিবলৈ আহ্বান জনাই কয়, "জুবিনৰ প্ৰতি ৰাইজৰ এই অপাৰ মৰম দেখি মোৰ বিশ্বাস, তেওঁৰ যাত্ৰা শান্তিপূৰ্ণ হ'ব।" উল্লেখ্য, জুবিনৰ পিতৃ কপিল বৰঠাকুৰ অসুস্থতাৰ বাবে কাহিলীপাৰাস্থিত নিজৰ বাসগৃহত আছে। গৰিমাৰ পৰিয়ালৰ সদস্যসকলৰ কাইলৈ গুৱাহাটীলৈ ৰাওনা হোৱাৰ কথা। এই মাংগলিক অনুষ্ঠানে জুবিন গাৰ্গৰ সাংগীতিক উত্তৰাধিকাৰ আৰু তেওঁৰ প্ৰতি ৰাইজৰ অপাৰ মৰমৰ এক জীৱন্ত প্ৰমাণ হিচাপে যোৰহাটৰ ইতিহাসত চিৰস্থায়ী হৈ ৰ'ব।

## মই নিজেও শ্যামকানুৰ

শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰি ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখাৰ পিছত জুবিনৰ দীৰ্ঘদিনৰ বন্ধু তথা বিশিষ্ট চিত্ৰশিল্পী পান্না বৰ্মনে শ্যামকানু মহন্তৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। পান্না বৰ্মন, যি ডঃ ভূপেন হাজৰিকা, অমিতাভ বচ্চন আৰু হলিউড অভিনেত্ৰী কেট উইন্সলেটৰ সন্মুখত ছবি অংকন কৰি খ্যাতি অৰ্জন কৰিছিল, তেওঁ আৱেগিক হৈ সংবাদ মাধ্যমৰ আগত কয়, "যোৱা ৩০ বছৰ ধৰি জুবিন মোৰ বন্ধু আছিল। মই তেওঁৰো প্ৰতিকৃতি অংকন কৰিছিলোঁ। তেওঁৰ মৃত্যু সম্পূৰ্ণৰূপে গাফিলতিৰ ফলত সংঘটিত হৈছিল।" তেওঁ শ্যামকানু মহন্তৰ বিৰুদ্ধে অভিযোগ কৰি কয়, "শ্যামকানু মহন্তই এবাৰ মোক জুবিনৰ সৈতে নৰ্থ-ইষ্ট ফেষ্টিভেললৈ আমন্ত্ৰণ জনাইছিল। তেওঁ মোক যাতায়াতৰ টিকটৰ ব্যৱস্থা কৰি দিছিল আৰু কৈছিল যে মই তাত ছবি আঁকি টকা উপাৰ্জন কৰিব পাৰিম। মই তাত ছবি আঁকি ২৭ হাজাৰ টকা উপাৰ্জন কৰিছিলোঁ আৰু সেই টকাৰে নিজৰ ঘূৰি অহাৰ টিকট কাটিছিলোঁ। কিন্তু তেওঁৰ পৰা কোনো মাননি পোৱা নাছিলোঁ।" বৰ্মনে আৰু উল্লেখ কৰে, "যোৱা মাহত শ্যামকানুৰ জ্যেষ্ঠ ভাতৃয়ে তেওঁলোকৰ মাতৃৰ প্ৰতিকৃতি অংকনৰ বাবে মোক নিযুক্তি দিছিল। মই ছবিখন সম্পূৰ্ণ কৰাৰ পিছত তেওঁ কৈছিল যে ছবিখন অসম্পূৰ্ণ। এই কথা মোৰ বাবে অত্যন্ত অপমানজনক আছিল।" জুবিন গাৰ্গৰ মৃত্যুৰ বাবে দায়ী ব্যক্তিসকলৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ দাবী জনাই বৰ্মনে কয়, "জুবিনৰ সৈতে যি ঘটিল, তাৰ বাবে দোষীসকলক কঠিন শাস্তি দিয়া উচিত। মই নিজেও শ্যামকানুৰ অন্যায়ৰ চিকাৰ হৈছিলোঁ।" এই অভিযোগে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত নতুন মাত্ৰা যোগ কৰিছে। শ্যামকানু মহন্তৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগে তেওঁৰ কাৰ্যকলাপৰ ওপৰত আৰু প্ৰশ্নৰ সৃষ্টি কৰিছে, যাৰ ফলত তদন্তকাৰী দলৰ তৎপৰতা আৰু তীব্ৰ হোৱাৰ সম্ভাৱনা আছে।

## কলিয়াবৰ-নুমলীগড় ৰাষ্ট্ৰীয়

এই প্ৰকল্পৰ আনুমানিক ব্যয় ধৰা হৈছে ৬, ৯৫৭ কোটি টকা। প্ৰকল্পৰ অংশ হিচাপে কাজিৰঙাৰ ৩৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক এলিভেটেড কৰিড'ৰ নিৰ্মাণৰো পৰিকল্পনা কৰা হৈছে। এই সিদ্ধান্তৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁৰ X হেণ্ডেলৰ জৰিয়তে অসমৰ ৰাইজক শুভকামনা জ্ঞাপন কৰিছে। তেওঁ এই প্ৰকল্পৰ জৰিয়তে অসমৰ সংযোগ ব্যৱস্থাৰ উন্নতিৰ কথা উল্লেখ কৰিছে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি এই প্ৰকল্পক অসমৰ উন্নয়নৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে বৰ্ণনা কৰিছে। এই বহলীকৰণ প্ৰকল্পৰ ফলত কলিয়াবৰৰ পৰা নুমলীগড়লৈ যাতায়াত ব্যৱস্থা অধিক সুবিধাজনক আৰু দ্ৰুত হ'ব বুলি আশা কৰা হৈছে। বিশেষকৈ কাজিৰঙাৰ এলিভেটেড কৰিড'ৰে পৰ্যটকৰ সুবিধাৰ লগতে বন্যপ্ৰাণীৰ সুৰক্ষাতো ইতিবাচক প্ৰভাৱ পৰিব। এই প্ৰকল্পই অসমৰ অৰ্থনৈতিক উন্নতিৰ লগতে আঞ্চলিক সংযোগ শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰত্যাশা কৰা হৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ পিছত

মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ গ্ৰেপ্তাৰৰ পৰিপ্ৰেক্ষিতত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দিলীপ শইকীয়াই সংবাদ মাধ্যমৰ সৈতে কথা পাতি কয়, "আমি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখিছিলোঁ। অসম আৰক্ষীৰ স্পেচিয়েল ইনভেষ্টিগেচন টিমে (SIT) সফলতাৰে দুজন মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। যিসকলৰ বিৰুদ্ধে ৰাইজৰ সন্দেহ আছিল, যিসকলে আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক আমাৰ পৰা কাঢ়ি নিলে, তেওঁলোকক ধৰি ১৪ দিনৰ বাবে জিম্মাত লোৱা হৈছে।" তেওঁ আৰু কয়, "আগন্তুক দিনত তদন্ত অধিক ক্ষিপ্ৰতাৰে আগবাঢ়িব আৰু দোষীসকলে কঠোৰতম শাস্তি পাব।" দিলীপ শইকীয়াই তদন্তৰ স্বচ্ছতা আৰু দোষীৰ শাস্তিৰ ওপৰত কয়, "আমাৰ প্ৰাণৰ শিল্পীৰ অসাময়িক মৃত্যুৰ সত্য উদঘাটনৰ বাবে SITই তৎপৰতাৰে কাম কৰি আছে। আমি নিশ্চিত যে দোষীসকলে আইনৰ হাতৰ পৰা ৰেহাই নাপাব।" এই গ্ৰেপ্তাৰে জুবিনৰ ন্যায়ৰ দাবীত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য হৈছে।

## ডিব্ৰুগড়ৰ শোকাৱহ পথ

সহ দুজনে লোকে প্ৰাণ হেৰুৱায়। নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত সোমাই AS-04-S-5355 নম্বৰৰ বাহনখন। প্ৰথম অৱস্থাত আহত যুৱতী গৰাকীক মেডিকেললৈ নিয়া হয় যদিও মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। পতিত হোৱা বাহনখন শিৱসাগৰৰ পৰা ডিব্ৰুগড় অভিমুখী আছিল। ডিব্ৰুগড়ৰ লেপেটকটা চেঁচা মৈদামৰ সমীপত সংঘটিত হোৱা এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱাই কালীপদ মুখাৰ্জী (৬০), কন্যা মিতা মুখাৰ্জী (২৫) আৰু দেবাংগ বিশ্ব কাশ্যপে। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে আৰক্ষী। এজন প্ৰত্যক্ষদৰ্শীয়ে কয়, "তীব্ৰ বেগত অহা বাহনখনে বহুত জোৰত ব্ৰেক মৰা পাছতে বাগৰি দ খাৱৈত পৰি যায়। খাৱৈটোত পানী বেছি থকাত গাড়ীখনৰ বেছিভাগ অংশই ডুবি গৈছিল। যুৱতীগৰাকী আৰু চালকজনে চিট বেল্ট মাৰি আছিল। চিট বেল্ট কাটি উলিয়াব লগা হয়। ঘটনাস্থলীতে চালক আৰু আন এজনৰ মৃত্যু হয়। যুৱতীগৰাকীক উদ্ধাৰ কৰি অনা হৈছিল যদিও তেওঁৰ মুখেদি ফেন ওলাইছিল। ততাতৈয়াকৈ আৰক্ষীয়ে চিকিৎসালয়লৈ প্ৰেৰণ কৰিছিল।" উল্লেখযোগ্য যে, স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে তীব্ৰ বেগত আছিল বাহনখন। ঘটনাৰ পাছতে অঞ্চলটোৰ ৰাইজৰ তৎপৰতাত দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ পৰা যুৱতীসহ আন দুজনক উদ্ধাৰ কৰা হৈছিল যদিও প্ৰাণ ৰক্ষা নপৰাত ঘটনাস্থলীত শোকাকুল পৰিৱেশ সৃষ্টি হৈছে। তেওঁলোক শিৱসাগৰৰ পৰা ডিব্ৰুগড় বিমানবন্দৰ হৈ কলকাতালৈ যাবলগীয়া আছিল বুলি আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা গৈছে।

## শ্যামকানু মহন্ত-সিদ্ধাৰ্থ শৰ্মাক

দ্ৰুত তদন্তৰ ফলত জুবিনৰ মৃত্যুৰ ১২ দিনৰ পিছত সম্পন্ন হৈছে এই গ্ৰেপ্তাৰ। খবৰ অনুসৰি, ছিংগাপুৰৰ পৰা নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ প্ৰৱেশ কৰা শ্যামকানু মহন্তক মঙ্গলবাৰে ১২: ০৪ বজাৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰু সিদ্ধাৰ্থ শৰ্মাক গুৰগাঁৱৰ এটা এপাৰ্টমেণ্টৰ পৰা ১: ৩০ বজাৰত আটক কৰা হয়। কালি পুৱা দুয়োজনক এয়াৰ ইণ্ডিয়াৰ IX1197 ফ্লাইটত গুৱাহাটীৰ বৰঝাৰ বিমানবন্দৰলৈ অনা হৈছিল। বিমানবন্দৰৰ পৰা তেওঁলোকক সোধ-সন্ধানৰ পিছত চীফ জুডিচিয়েল মেজিষ্ট্ৰেট (CJM)ৰ বাসগৃহলৈ লৈ যোৱা হয় আৰু হেণ্ডকাফ পৰিহিত অৱস্থাত CID কাৰ্যালয়লৈ প্ৰেৰণ কৰা হয়। জুবিনৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে যোৱা ১৯ ছেপ্টেম্বৰত অসম চৰকাৰে বিশেষ ডিজিপি এম পি গুপ্তাৰ নেতৃত্বত ১০ জনীয়া স্পেচিয়েল ইনভেষ্টিগেচন টিম (SIT) গঠন কৰিছিল। ইয়াৰ অধীনত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, ছিংগাপুৰ অসম সমাজৰ সদস্যসকল আৰু ফেষ্টিভেলত অংশগ্ৰহণ কৰা অন্যান্য ব্যক্তিৰ বিৰুদ্ধে নোটিচ জাৰি কৰা হয় আৰু CIDৰ সন্মুখত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়া হয়। কিন্তু তেওঁলোক হাজিৰ নোহোৱাৰ বাবে পলাতক অভিযুক্ত হৈছিল। ফলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ইণ্টাৰপ'লৰ জৰিয়তে তেওঁলোকৰ বিৰুদ্ধে 'লুকআউট নোটিচ' জাৰি কৰা হয় আৰু ৬ অক্টোবৰলৈকে CID-ৰ সন্মুখত হাজিৰ হোৱাৰ কথা কোৱা হয়। এই নোটিচৰ পৰিপ্ৰেক্ষিতত SITৰ এক দল ছিংগাপুৰলৈ গৈ তেওঁলোকক ট্ৰেক কৰিছিল। গ্ৰেপ্তাৰৰ পিছত CJMৰ সন্মুখত হাজিৰ কৰি ১৪ দিনৰ আৰক্ষীয় জিম্মাত প্ৰেৰণ কৰা হয়। এই গ্ৰেপ্তাৰৰ জৰিয়তে তদন্তত নতুন মোৰ লৈছে, য'ত জুবিনৰ মোবাইল ফোনো উদ্ধাৰ কৰা হৈছে। জানিব পৰা মতে, জুবিনৰ মৃত্যুৰ পিছত তেওঁৰ মোবাইল সিদ্ধাৰ্থ শৰ্মাৰ লগত আছিল। ছিংগাপুৰত জুবিনৰ লগত থকা তেওঁৰ ভাতৃ সন্দীপন গাৰ্গে মোবাইলটো বিচাৰিছিল যদিও শৰ্মাই ইয়াক দিয়া নাছিল। গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে মোবাইলটো জব্দ কৰে, যি তদন্তত গুৰুত্বপূৰ্ণ সাক্ষ্য হিচাপে গণ্য হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই অসমৰ জনমানসত গভীৰ আঘাত হানিছে। অসমত বিভিন্ন ঠাইত ৫৪টা এফআইআৰ দাখিল কৰা হৈছিল, য'ত ফৌজদাৰী ষড়যন্ত্ৰ, অবহেলাৰ বাবে মৃত্যু আৰু অন্যান্য ধাৰাৰ অধীনত গোচৰ দাখিল কৰা হয়। এই গ্ৰেপ্তাৰ ন্যায়ৰ পথত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য হৈছে, যি জুবিনৰ অনুৰাগীসকলৰ মাজত স্বস্তিৰ সঞ্চাৰ কৰিছে। তদন্ত অব্যাহত আছে আৰু আৰু অধিক তথ্য প্ৰকাশিত হ'ব বুলি আশা কৰা হৈছে।

## মই মন্ত্ৰী থকাৰ সময়ত

অভিযোগ উত্থাপন কৰিছে। বুধবাৰে পুৱা দুয়োজন অভিযুক্তক গুৱাহাটীলৈ আনি উলুবাৰীৰ চি আই ডি কাৰ্যালয়ত জেৰা আৰম্ভ কৰা হৈছে। আদালতে তেওঁলোকক ১৪ দিনৰ আৰক্ষীৰ জিম্মাত প্ৰেৰণ কৰিছে। ৰঞ্জিত দত্তই সংবাদ মাধ্যমৰ সৈতে কথা পাতি শ্যামকানু মহন্তৰ ফেষ্টিভেলৰ নামত চলা ব্যৱসায়ৰ মুখা খুলিছে। তেওঁ কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই সমগ্ৰ অসমবাসীক মৰ্মাহত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়া প্ৰতিশ্ৰুতি অনুসৰি চি আই ডিৰ বিশেষ তদন্ত দলে (SIT) এই দুয়োজনক গ্ৰেপ্তাৰ কৰি হেণ্ডকাফ লগাই গুৱাহাটীলৈ আনিছে। এই ন্যায়ৰ প্ৰক্ৰিয়া নিশ্চিতভাৱে সঠিক দিশত আগবাঢ়িব বুলি আমি বিশ্বাস কৰোঁ। ৰাইজৰ ক্ষোভৰ মাজতো এই গ্ৰেপ্তাৰে ন্যায়ৰ আশা জগাইছে।" শ্যামকানু মহন্তৰ কাৰ্যকলাপৰ বিষয়ে ৰঞ্জিত দত্তই কয়, "মই মন্ত্ৰী থকাৰ সময়ত শ্যামকানু মহন্তই ফেষ্টিভেলৰ নামত মোৰ বিভাগৰ ওপৰত অহৰহ চাপ প্ৰয়োগ কৰিছিল। তেওঁৰ বাবে ফেষ্টিভেল কেৱল এক ব্যৱসায় আছিল। সংস্কৃতিৰ নামত তেওঁ এই ব্যৱসায় চলাই আহিছিল।" তেওঁ আৰু কয়, "মই আশা কৰোঁ, মহামান্য আদালতে এই ঘটনাৰ ন্যায়িক বিচাৰ কৰিব, যাৰ ফলত জুবিন গাৰ্গৰ আত্মাই শান্তি লাভ কৰিব আৰু আমিও তৃপ্তি পাম। মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি আৰু ৰাইজৰ ক্ষোভৰ পৰিপ্ৰেক্ষিতত তদন্ত ক্ষিপ্ৰ আৰু স্বচ্ছভাৱে সম্পন্ন হ'ব, এই ক্ষেত্ৰত কোনো গাফিলতি হ'ব নোৱাৰে।" এই অভিযোগে শ্যামকানু মহন্তৰ কাৰ্যকলাপৰ ওপৰত নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তত এই নতুন তথ্যই তদন্তকাৰী দলৰ তৎপৰতাক অধিক তীব্ৰ কৰিব বুলি আশা কৰা হৈছে। ৰঞ্জিত দত্তৰ এই মন্তব্যই জনমানসত শ্যামকানুৰ কাৰ্যকলাপৰ প্ৰকৃত স্বৰূপ উন্মোচন কৰাৰ লগতে জুবিনৰ ন্যায়ৰ দাবীক আৰু শক্তিশালী কৰিছে।

